সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা... Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৪ সংখ্যা, ২৪ চ'ত , ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 14 Date Of Publication - 7 April 2024 Rs.10.00/-

## পুনৰ ৫০ হাজাৰ নিবনুৱাক চাকৰি দিয়াৰ ঘোষণা মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ মাজতেই

ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে সুখবৰ কঢ়িয়াই আনিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোৱা বিধানসভা নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ইতিমধ্যে সফলতাৰে এক লাখ নিবনুৱাৰ নিযুক্তি সম্পূৰ্ণ কৰাৰ পাছত পুনৰ ৫০ হাজাৰ নিবনুৱাক চাকৰি দিয়াৰ ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোৰহাট লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাই সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা কৰি যাতে হতাশাত ভুগিব নালাগে তাৰ বাবে এক লাখ নিযুক্তিৰ কথা কোৱা হৈছিল। এতিয়া আৰু ৫০ হাজাৰ চাকৰি মুকলি কৰি দিলোঁ। অহা জুলাই মাহৰ পৰা নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। জুলাই মাহত আৰক্ষীৰ চাকৰিৰ সাক্ষাৎকাৰ হ'ব। এডিআৰইৰ নতুন সাক্ষাৎকাৰ হ'ব। শিক্ষক নিযুক্তিও হ'ব। মুখ্যমন্ত্ৰীগৰাকীৰ স্পষ্ট কথা- এক লাখ নিযুক্তি হৈ গ'ল। এতিয়া আৰু ৫০ হাজাৰ নিযুক্তিৰ টাৰ্গেট লোৱা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে আৰু কয় যে এই ৫০ হাজাৰ নিযুক্তি হৈ যোৱাৰ পাছতো যদি ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ সময় বাকী থাকে আৰু

(দহ পৃষ্ঠাত চাওক)

## মোৰ মুখ্যমন্ত্ৰীত্বৰ কাৰ্যকালতে বহু বুথত কংগ্ৰেছ শূন্য হ'বঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত তিতাবৰ, মৰিয়নি আৰু নাজিৰাত নিৰ্বাচনী প্ৰচাৰ চলাই সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত ২০২৬ চনলৈকে কংগ্ৰেছ দল নাথাকে। নামতহে দলটো থাকিব, যেনেকৈ আজিও জনতা দল, চিপিআই (এম), চিপিআই চলি আছে। তেনেকৈ কিবা এটা ৰূপত কংগ্ৰেছ দল চলি থাকিব। কিন্তু কংগ্ৰেছ বুলি যিটো আছিল



সেইটো নোহোৱা হৈ যাব বুলি মন্তব্য কৰি আৰু কয় যে বৰ্তমান কংগ্ৰেছ দলত নেতা বাদেই, কৰ্মীৰেই অভাৱ হৈছে। নেতালৈ যাবলৈ বহু দূৰ। গুৱাহাটীৰ ৰাজীৱ ভৱনেই হওক, যোৰহাট জিলা কংগ্ৰেছৰ কাৰ্যালয়েই হওক, তাত এতিয়া মানুহ নাপাবই।

(দহ পৃষ্ঠাত চাওক)

## মহানগীৰৰ ভয়াৱহ যানজঁটে জলাকলা খুৱাইছে মহানগৰবাসীক

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত ক্ৰমবৰ্ধমান যানজঁটৰ সমস্যাই মহানগৰবাসীক জলাকলা খুৱাই আহিছে। যানজঁটৰ সমস্যা সমাধানৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি হাইকৰ্টে যান-বাহন আৰক্ষী, জিএমচিকে ধৰি বিভিন্ন বিভাগসমূহক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল। কিন্তু মহানগৰীৰ যানজঁটৰ সমস্যা সমাধানৰ বাবে যান-বাহন



আৰক্ষী আৰু বিভাগীয় কৰ্তৃপক্ষই কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান...

## অভিজ্ঞতা-তিতা, মিঠা

দেৱাশীষ গোস্বামী,নগাঁও




জীৱন নামৰ যাত্ৰাটোত আমি সকলোৱে বিভিন্ন ধৰণৰ অভিজ্ঞতাৰে পুষ্ট। অভিজ্ঞতা অবিহনে সঁচা অৰ্থত আমি জীৱনটোক সঠিক ভাবে গঢ় দিব নোৱাৰো। জীৱনৰ প্ৰতিটো খোজত আমিবোৰ ভিন ভিন অভিজ্ঞতাৰ সাক্ষী। তাৰে কিছুমান অভিজ্ঞতাই আমাক সীমাহীন আনন্দ দিয়ে, জীৱনটোক যাত্ৰা পথত সঠিক ভাবে আগুৱাই নিয়াত সহায় কৰে। তাৰ বিপৰীতে কিছুমান তিক্ত অভিজ্ঞতাই আমাক বাৰুকৈয়ে আমনি কৰে। চকুলো বাহিৰ কৰে। জীৱনৰ তিক্ত অভিজ্ঞতাবোৰে আমাৰ মানসপটত ইমানেই বিৰূপ প্ৰভাৱ পেলাই যে পাহৰিব খুজিও আমি তেনেবোৰ অভিজ্ঞতা সহজে পাহৰিব নোৱাৰো। ভাল, সুস্বাদু খাদ্য যেনেদৰে চিৰ স্মৰণীয়, পুনৰ খাবলৈ প্ৰেৰণা দিয়ে, ভাল, মিঠা অভিজ্ঞতা বোৰেও জীৱনটোক আগুৱাই যোৱাত প্ৰেৰণা যোগাই, ঔষধৰ কাম কৰে। বিজ্ঞ লোকে কয় বোলে খেনোৱে দেখি শিকে, খেনোৱে ঠেকি শিকে অৰ্থাৎ আমি চাৰিওফালৰ বিভিন্ন ঘটনাৱাজী দেখি বহুতো অভিজ্ঞতা আহৰণ কৰো আৰু নিজৰ লগত ঘটা ঘটনাৰ পৰাও বহুতো ভাল বেয়া অভিজ্ঞতা আহৰণ হয়। একোখন পাঠ্য পুথি যেনেদৰে আমাৰ মাৰ্গদৰ্শক, বিভিন্ন সময়ৰ তিতা-মিঠা অভিজ্ঞতা বোৰ আমাৰ একোটা মাৰ্গৰ প্ৰত্যেক পদক্ষেপৰ সকীয়নি স্বৰূপ। জীৱন যাত্ৰাত আগুৱাই যোৱাত প্ৰত্যেকটো অভিজ্ঞতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমাৰ সজ কৰ্ম, কথা-বতৰাই আনৰ মানত মিঠা অভিজ্ঞতাৰ সঞ্চাৰ কৰে আনহাতে অসৎ কৰ্ম, হুটা মাত কথাই নিজৰ লগতে আনৰ বাবেও তিতা অভিজ্ঞতাৰ সৃষ্টি কৰে।

জীৱনটোক মসৃণ গতিত আগুৱাই নিবলৈ মিঠা অভিজ্ঞতা সকলোৱে কাম্য।

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286 Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# ৰাজ্যসভাৰ পৰা অৱসৰ গ্ৰহণ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ



ৰঙিলী বাৰ্তাসেৱা- ৩৩ বছৰীয়া এক ৰাজনৈতিক পৰিক্ৰমাৰ অৱসান। ৰাজ্যসভাৰ পৰা অৱসৰ গ্ৰহণ কৰিলে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে। ১৯৯১ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্ন পি ভি নৰসিংহ ৰাওৰ চৰকাৰৰ বিত্ত মন্ত্ৰী হিচাপে দেশত উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ নীতিৰে বিশ্বায়নৰ যুগান্তকাৰী অৰ্থনৈতিক সংস্কাৰৰ বাবে প্ৰখ্যাত ড° সিঙে ১৯৯১ চনৰ অক্টোবৰত ৰাজ্যসভাত যোগদান কৰিছিল। ১৯৯১ ৰ পৰা ১৯৯৬ চনলৈ নৰসিংহ ৰাও চৰকাৰত বিত্তমন্ত্ৰী হিচাপে সফলতাৰে দায়িত্ব সম্পন্ন কৰাৰ পাছত তেওঁ ২০০৪ ৰ পৰা ২০১৪ লৈ দুটা কাৰ্যকালৰ বাবে দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ১৯৯১ চনৰ পৰা ২০১৯ চনলৈ ড° মনমোহন সিঙে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ পিছত ২০১৯ চনত তেওঁ ৰাজস্থানৰ পৰা পুনৰ ৰাজ্যসভালৈ নিৰ্বাচিত হয়। উল্লেখ্য শেহতীয়াকৈ অসুস্থ অৱস্থাতো তেওঁ হুইল ছেয়াৰত বহি সংসদৰ আস্থা ভোটৰ সময়ত আহি ৰাজ্যসভালৈ আহি ভোটাধিকাৰ সাব্যস্ত কৰিছিল। ড° মনমোহন সিঙক শেহতীয়া সংসদৰ অধিৱেশনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও তেওঁৰ দায়িত্বশীলতা, কৰ্তব্যনিষ্ঠা আদিৰ বাবে মুকলিকৈ প্ৰশংসা কৰিছিল।

# দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ পৰীক্ষা সম্পন্ন ৩ জনৰ মনোনয়ন বাতিল

ৰঙিলী বাৰ্তাসেৱা- দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া ৫ টা লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়। নগাঁও লোকসভা সমষ্টিৰ দুজন আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ এজন প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰা হয়। পৰীক্ষাৰ অন্তত দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ বৈধ বিবেচিত প্ৰাৰ্থীৰ সংখ্যা হৈছে ৬২ গৰাকী। দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম দিন হৈছে ৮ এপ্ৰিল।

# গুৱাহাটী হাই কোৰ্টৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস




ৰঙিলী বাৰ্তাসেৱা- কটন বিশ্ববিদ্যালয় চৌহদৰ বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত গুৱাহাটী হাই কোৰ্টৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। উক্ত অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ ৰঞ্জন গগৈ, গুৱাহাটী হাই কোৰ্টৰ চীফ জাষ্টিচ ৰবিৰ বিষ্ণই, গুৱাহাটী হাই কোৰ্টৰ জাষ্টিচ এল জমিৰ আদিৰ উপৰিও গুৱাহাটী বাৰ এচোচিয়েচনৰ সভাপতি মৃণাল কুমাৰ চৌধুৰী, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং, প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্ত, জ্যেষ্ঠ অধিবক্তা ৰবি কোটা, উৎপল ৰাজখোৱা, নয়নশঙ্কৰ বৰুৱা সহ ৩০০ৰো অধিক লোকৰ উপস্থিতিত প্ৰাক্তন ন্যায়াধীশ গগৈয়ে ভাষণ প্ৰদান কৰে। প্ৰথমে বন্তি প্ৰজ্বলন কৰি, ৰবিৰ বিষ্ণইৰ চমু ভাষণ প্ৰদান কৰাৰ পিছত গগৈয়ে ভাষণ দিয়ে। ভাৰত বৰ্ষৰ ন্যায় ব্যৱস্থাৰ ওপৰত, আইন সংক্ৰান্তীয় বিষয়, ন্যায়ালয়ৰ ভুমিকা, ন্যায়াধীশ আৰু অধিবক্তা সকলৰ আইনৰ অধীনত কৰণীয় কাৰ্য ইত্যাদি বিষয়ত তেওঁ বক্তব্য ৰাখে। উদাহৰণ স্বৰূপে তেওঁ কেইটামান উচ্চতম ন্যায়ালয়ৰ মোকৰ্দমাৰ বিষয়ে অৱগত কৰে। শেষত এল জমীৰৰ চমু ভাষণ দিয়াৰ পিছত ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে অৰবিন্দ কেজৰিৱালক



ৰঙিলী বাৰ্তাসেৱা- ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে অৰবিন্দ কেজৰিৱালক। দিল্লীৰ ৰ'জ এভিনিউ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে কেজৰিৱালক। ১৫ এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মাত থাকিব লাগিব কেজৰিৱাল। ইয়াৰ পূৰ্বে, ২৮ মাৰ্চত ৰ'জ এভিনিউ আদালতে কেজৰিৱালৰ ইডিৰ জিম্মা ১ এপ্ৰিললৈ বৃদ্ধি কৰিছিল। ইডি জিম্মা সমাপ্ত হোৱাৰ পাছত আজি আদালতত হাজিৰ কৰোৱা হৈছিল মুখ্যমন্ত্ৰীগৰাকীক। তিহাৰ জেললৈ প্ৰেৰণ কৰাৰ সম্ভাৱনা আছে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক। উল্লেখ্য যে, প্ৰায় ৬০০কোটি টকাৰ সুৰা কেলেংকাৰীৰ সৈতে নাম সাঙোৰ খোৱাত ইডিয়ে ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল অৰবিন্দ কেজৰিৱালক। প্ৰথমে ৯বাৰকৈ ইডিয়ে চমন দিয়াৰ পাছতো অৰবিন্দ কেজৰিৱাল উপস্থিত নোহোৱাত দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক চৰকাৰী বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছিল। আদালতত উপস্থিত আছিল কেজৰিৱালৰ পত্নী সুনীতা। তাৰ উপৰি আহিছিল দিল্লীৰ দুই মন্ত্ৰী অতিশী মাৰলেনা আৰু সৌৰভ ভৰদ্বাজ। আদালতত ইডিৰ ফালৰ পৰা জনোৱা হয় যে কেজৰিৱালে তদন্তত সহযোগিতা কৰা নাই।

# ডিব্ৰুগড়ৰ টিংখাং বিধান সভা সমষ্টিৰ ঔগুৰিত নিৰ্বাচনী সভাত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্তাসেৱা- 'মোডী কি গেৰান্টি -মামা কি ৱাৰেন্টি'- টিংখাং বিধান সভা সমষ্টিৰ ঔগুৰিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এনেদৰে। ৰাইজক সম্বোধন কৰি বিভিন্ন উন্নয়ণমূলক আঁচনিৰ কথা কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। 'এককলাখ হৈ গল আৰু ৫০ হাজাৰ নিবনুৱাক চাকৰি দিব' বুলি কয় মুখ্যমন্ত্ৰীয়ে। সৰ্বানন্দ সোণোৱালৰ হৈ ড° হিমন্ত বিশ্ব শৰ্মাই ৰসাল কথাৰে নিৰ্বাচনী প্ৰচাৰ চলায়। ইফালে সাংবাদিকৰ আগত সৰ্বানন্দ সোণোৱালে বিপুল ভোটৰ ব্যৱধানত বিজয়ী হব বুলি মন্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । উল্লেখ্য যে, সহস্ৰাধিক মহিলাই স্কুটি ৰেলীৰে টিংখাং শলগুৰিৰ হেলিপেডৰ পৰা নিৰ্বাচনী সভালৈ আদৰি আনে মুখ্যমন্ত্ৰীগৰাকীক। মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰী বিমল বড়াসহ কেইবাগৰাকীও বিজেপিৰ জ্যেষ্ঠ কৰ্মকৰ্তাই।



# বিহুৰ পিছতেই ঘোষণা হ'ব মেট্ৰিক পৰীক্ষাৰ ফলাফল

ৰঙিলী বাৰ্তাসেৱা- বিহুৰ আনন্দৰ মাজতে ঘোষণা হ'ব মেট্ৰিকৰ ফলাফল। এই মন্তব্য কৰিছিল শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। কিন্তু শিক্ষামন্ত্ৰীগৰাকীয়ে মেট্ৰিকৰ ফলাফল ঘোষণাৰ কোনো তাৰিখ ঘোষণা কৰা নাছিল সংবাদ মাধ্যমৰ আগত। কিন্তু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিলে মেট্ৰিকৰ ফলাফল ঘোষণাৰ তাৰিখ। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ১৯ৰ পৰা ২১ এপ্ৰিলৰ ভিতৰত ঘোষণা কৰা হ'ব মেট্ৰিকৰ ফলাফল। অৰ্থাৎ বিহুৰ ঠিক পিছতেই ঘোষণা হ'ব হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল। এইবাৰ মেট্ৰিকত উত্তীৰ্ণ ছাত্ৰীসকলৰ বিনামূলীয়া নামভৰ্তিৰ লগতে তেওঁলোকৰ একাউণ্টত চৰকাৰৰ তৰফৰ পৰা ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সেইদৰে এইবাৰ স্নাতক শ্ৰেণীত নামভৰ্তি কৰা ছাত্ৰীসকলৰ একাউণ্টত ১২, ৫০০ টকাকৈ আৰু বিশ্ববিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰীসকলৰ একাউণ্টত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলিও ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে।

# ডিব্ৰুগড়ত বিগত ১৪ টা বছৰে গৰীৱ দুখীয়াক জাকাত এণ্ড ইমদাদ ফাউণ্ডেশ্যন ট্ৰাষ্টৰ সাহাৰ্য্য বিতৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ এটি স্বেচ্ছাসেৱী সামাজিক অনুষ্ঠান 'জাকাত এণ্ড ইমদাদ ফাউণ্ডেশ্যন ট্ৰাষ্টে' যোৱা ২০১০ চনৰ পৰা সমাজৰ দুস্থ মানুহৰ সুবিধাৰ্থে বিভিন্ন সামগ্ৰী বিতৰণ কৰি আহিছে। সেইমতে স্কুল, কলেজ, মেডিকেল আৰু আইন অধ্যয়ন কৰা গৰীৱ দুস্থ ছাত্ৰ ছাত্ৰীৰ পঢ়াশুনাৰ খৰচ বহন কৰাৰ লগতে চিকিৎসা সেৱা, ঘৰ নিৰ্মাণ কৰি দিয়াৰ লগতে ৰিক্সা, ঠেলা, চিলাই মেচিন, কম্পিউটাৰ ইত্যাদিসহ বিভিন্ন ক্ষেত্ৰত আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। ইয়াৰ ভিতৰত জাকাতৰ ধন ইছলাম ধৰ্মী লোকৰ মাজত বিতৰণৰ লগতে ইমদাদৰ ধন সমাজৰ অন্যান্য জাতি ধৰ্ম-বৰ্ণ বাচ বিচাৰ নকৰাকৈ সময়ে সময়ে বিতৰণ কৰি আহিছে। সেই সময়ত মৰহুম আলহজ ৰিয়াজুল হুছেইনৰ অধ্যক্ষতাত আৰু ডিব্ৰুগড়ৰ কেইবাগৰাকীও সন্মানীয় গুণী জ্ঞানীৰ ব্যক্তিৰ উপস্থিতিত গঠিত হৈছিল এটি ২১ জনীয়া 'জাকাত এণ্ড ইমদাদ ফাউণ্ডেশ্যন ট্ৰাষ্ট'। সেই সময়ত ট্ৰাষ্টত আছিল মৰহুম আলহজ ৰিয়াজুল হুছেইন, মৰহুম আলহজ চাইফ উদ্দিন আহমেদ, মৰহুম মুজিবুল্লা হাজৰিকা, মৰহুম মুজিবুৰ ৰহমান, মৰহুম মিন্টু মনৌৱাৰ হুছেইন, মৰহুম আব্দুল মতিন,ড° আদিলউল ইয়াচিন, আলহজ, ডা° চাজিদ আহমেদ, ডা° আহমেদউল্লা খান, আলহজ চেহিৰ আহমদ, জুনাইদ আহমেদ, চেহেৰ ইয়াৰ চুলতান, পাৰভেজ খান, ইকবাল আহমেদ, আব্দুল খালেক, নাছিৰ চুলতান, নাছিমুল গণি, দিয়ান উদ্দিন আহমেদ, এম হাছিম আলী, আব্দুল ছাজিদ, শ্বাহনাৱাজ ৰহিম, আৰু পৰৱৰ্তীকালত নাৰুল আখতাৰ হুছেইন আৰু নাছিৰ আহমেদক ট্ৰাষ্টৰ অন্তৰ্ভুক্ত কৰা হয়। যি সকলৰ অসীম ত্যাগৰ দ্বাৰা এই সমিতি গঠন কৰা হৈছিল সেই সকলৰ ভিতৰত পাচঁ জনৰ ইতিমধ্যে মৃত্যু হৈছে। বৰ্তমানৰ সভাপতি ডা° চাজিদ আহমেদ সম্পাদক নাছিৰ চুলতান, ধন ভৰালী জুনাইদ আহমেদকে আদি কৰি অন্যান্য সদস্যক ট্ৰাষ্টীৰ ভোটৰ দ্বাৰা নিৰ্বাচিত কৰা হয়। ডিব্ৰুগড় চহৰৰ পল্টন বজাৰত অৱস্থিত কাৰ্য্যালয়ত 'জাকাত আৰু ইমদাদ ফাউণ্ডেশ্যন'ৰ অনুষ্ঠানত সময়ে সময়ে জৰুৰীকালীন কিছুমান সিদ্ধান্ত গ্ৰহণ কৰা হয়। 'জাকাত এণ্ড



ইমদাদ ফাউণ্ডেশ্যন'ৰ অনুষ্ঠানত লোৱা সিদ্ধান্ত মৰ্মে বছৰি ডিব্ৰুগড়ৰ সমাজ জীৱনৰ লগত জড়িত বিশিষ্ট ব্যক্তি, প্ৰশাসনিক বিষয়া, আৰক্ষী বিষয়া, লেখক, সাহিত্যিক আদিক আমন্ত্ৰণ কৰি জাকাত আৰু ইমদাদৰ চেক, সামগ্ৰী আদি বিতৰণ কৰা হয়। আনকি এই সমাজ সেৱাত সন্তোষ প্ৰকাশ কৰি উপস্থিত বহুজনে স্বেচ্ছাই ট্ৰাষ্টলৈ বৰঙণি আগবঢ়ায়। এইবাৰ ৰমজান মাহত লেজাই, কলাখোৱা, চাউলখোৱা, বকুল মাজগাঁও আদি গ্ৰামাঞ্চলত ৰমজানত অতীৱ প্ৰয়োজনীয় খাদ্যসামগ্ৰী ট্ৰাষ্টৰ সদস্য সকলে বিতৰণ কৰি এই দুখীয়া সকলৰ মুখত হাঁহি বিৰিঙায়। এক নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ মাজেদি সমাজৰ সচাঁ গৰীৱ (জাকাত হকদাৰ) বুলি প্ৰমাণিত তথা ভাৰতীয় বুলি প্ৰমাণ পত্ৰ লোৱাৰ পাছত চিনাক্তকৰণ কৰি সাহাৰ্য্য আগবঢ়োৱা হয়। অলপতে ডা° চাজিদ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত তেওঁৰ লগতে সম্পাদক নাছিৰ চুলতানে কয় যে আমাৰ ট্ৰাষ্টী সকলে নিজে গৈ সমাজৰ গৰীৱ - দুখীয়া তথা অসহায় লোকক বিচাৰি

(দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড় নিৰ্বাচনী জিলাত ষ্টেটিক ছাৰ্ভিলেন্স আৰু ফ্লায়িং স্কোৱাডৰ তালাচী অভিযানত নগদ ধন জব্দ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় নিৰ্বাচন জিলাত নিৰ্বাচনী আদৰ্শ আচৰণ বিধি বলবৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে আদৰ্শ আচৰণ বিধি কোষে সক্ৰিয় ভূমিকা পালন কৰিছে। ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিত নিয়োজিত ষ্টেটিক ছাৰ্ভিলেন্স দল, ফ্লায়িং স্কোৱাড আৰু ভিডিঅ' ছাৰ্ভিলেন্স দলসমূহে ২৪ ঘণ্টাই নিয়মীয়া তালাচী অভিযান চলোৱাৰ লগতে আদৰ্শ আচৰণ বিধি উলংঘনৰ ঘটনা ৰোধ কৰাৰ বাবে কাম কৰি আছে। ৩/৪/২৪ পুৱা শালমাৰী চাৰিআলিত ষ্টেটিক ছাৰ্ভিলেন্সৰ দলে এ এচ ০৬ এজি ৪৩৭০ নম্বৰৰ এখন বাহনৰ পৰা ৩, ৫১, ২৪০ টকা নগদ ধন জব্দ কৰে। বগীবিল চেক পোষ্টত ফ্লাইং স্কোৱাৰ্ডৰ এটি দলে এ এচ ৩ কিউ ৭০০৭ নম্বৰৰ আন এখন বাহনৰ পৰা ২ লাখ নগদ ধন জব্দ কৰে। আনহাতে, দুলীয়াজান বিধানসভা সমষ্টিত নিয়োজিত ফ্লায়িং স্কোৱাডৰ দলে মধুবন তিনিআলিত তিনিচুকীয়াৰ পৰা দুলীয়াজান অভিমুখী এআৰ ১১এ ৩০২১ নম্বৰৰ বাহনৰ পৰা নগদ ৯৮, ৫০০ টকা জব্দ কৰে বুলি ডিব্ৰুগড় নিৰ্বাচনী জিলাৰ প্ৰচাৰ কোষৰ সূত্ৰে প্ৰকাশ।

# ডিব্ৰুগড় লোকসভা সমষ্টিত লুৰিণজ্যোতি গগৈৰ প্ৰচাৰ অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় লোকসভা সমষ্টিৰ অসম জাতীয় পৰিষদ আৰু বিৰোধী ঐক্য মঞ্চৰ উমৈহতীয়া প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে খোৱাং আৰু ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিভিন্ন ঠাইত চলোৱা নিৰ্বাচনী প্ৰচাৰ তথা অংশ লোৱা বিভিন্ন কাৰ্যসূচী সম্পৰ্কে অৱগত কৰা হ'ল। ডিব্ৰুগড় বিধান সভা সমষ্টিৰ অন্তৰ্গত চাউলখোৱা ঘৰবান্ধিচুকত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। ডিব্ৰুগড় বিধানসভাৰ অন্তৰ্গত নিজ মানকটা পঞ্চায়তৰ বকপৰাত অনুষ্ঠিত এখন নিৰ্বাচনী ৰাজহুৱা প্ৰচাৰ সভাত উপস্থিত থাকি নিৰ্বাচনী প্ৰচাৰ চলায়। খোৱাং বিধানসভাৰ অন্তৰ্গত জকাই আঞ্চলিক টাই কলা কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত উপস্থিত থাকি নিৰ্বাচনী

(দহ পৃষ্ঠাত চাওক)

# জ্ঞানদাভিৰাম বৰুৱা আইন মহাবিদ্যালয়ৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- জ্ঞানদাভিৰাম বৰুৱা আইন মহাবিদ্যালয়ৰ এডুকেচনেল ছছাইটিৰ এখন সভা অনুষ্ঠিত হয়। সভাত ছ'ছাইটিৰ সভাপতি বিশিষ্ট আইনবিদ ফজিৰউদ্দিন আহমেদে সভাপতিত্ব কৰে। উক্ত অনুষ্ঠানত জে বি আইন মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমন্ত কুমাৰ শৰ্মাৰ লগতে কলেজৰ অধ্যক্ষা ড° মালবিকা তালুকদাৰ উপস্থিত থাকে। ছ'ছাইটিৰ সম্পাদক অসম সচিবালয়ৰ ভাষা বিষয়া তথা জে বি আইন মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষক সুভাশিষ মহন্তৰ লগতে আন আন কাৰ্য্যনিৰ্বাহক সদস্য ক্ৰমে সহকাৰী সম্পাদক ৰঞ্জন কুমাৰ দাস, ড° কৃষ্ণা শৰ্মা, কোষাধ্যক্ষ ইৰফান আজিজ, অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সংবাদসেৱী ৰবীন শইকীয়া, এডভোকেট মুকলেশ্বৰ ৰহমান, গৌৰৱ সাহাকে আদি কৰি সকলোৱে শপত বাক্য পাঠ কৰি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰী, অৱসৰী গুৱাহাটী উচ্চ ন্যায়লয়ৰ জাষ্টিচ চিত্তৰঞ্জন শৰ্মা, সাহিত্য অকাডেমীৰ অসমীয়া ভাষাৰ সভাপতি তথা ভাৰতীয় সনাতনী সাহিত্য আৰু মহাঋষি অৰবিন্দৰ একান্ত সাধক দিগন্ত বিশ্ব শৰ্মা, অসম চৰকাৰৰ প্ৰাক্তন মহাধিবক্তা তথা বাৰ কাউঞ্চিল অৱ অসমৰ সভাপতি চিন্ময় চৌধুৰী আৰু অসম আৰক্ষীৰ মহাপৰিদৰ্শক ড° পাৰ্থসাৰথি মহন্তৰ নাম উপদেষ্টা হিচাবে অন্তৰ্ভূত কৰা হয়।

# সদৌ অসম প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিৰ সভা




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত আজি সদৌ অসম প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতিৰ কামৰূপ জিলাৰ উদ্যোগত এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত সভাত লোকেশ্বৰ গগৈৰ সভাপতিত্বত কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰাজু ফুকন, কাৰ্য্যকৰী সভাপতি বিজয় হাজৰিকা, লক্ষীমপুৰ জিলাৰ সম্পাদক মুনিন বৰা, কামৰূপ জিলাৰ সভাপতি গোলাপ মেধি, ওদালগুৰিৰ সম্পাদক দিপু হাজৰিকা, চিৰাং জিলাৰ প্ৰাক্তন সম্পাদক কন ৰায়, সুৰেন ৰায়কে আদি কৰি প্ৰায় ৫০ জন মান প্ৰাক্তন আলফা সদস্য উপস্থিত আছিল। জানিব পৰা মতে উক্ত সভাত অতি আক্ষেপেৰে দুখ প্ৰকাশ কৰি তেওঁলোকে কয় যে চৰকাৰৰ লগত হোৱা আলোচনাৰ চুক্তি মৰ্মে কোনো এজনৰ কৰ্ম সংস্থান আজিলৈকে নহ'ল। কেৱল মাত্ৰ হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰীৰ দিনত কিবা এটা পোৱাৰ বাহিৰে বৰ্তমান আজিৰ তাৰিখলৈকে কৰ্ম সংস্থানৰ কথাটো বাদেই চৰকাৰৰ পৰা এটি ফুটা কৰিও নাপালে। তেওঁলোকে উক্ত সভাত যোৱা ইং ৪/৩/২০২৪ তাৰিখে অসম চৰকাৰলৈ কেইটামান দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ কথা উল্লেখ কৰে। লগতে তেওঁলোকে এইটোও কয়, বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অতি দক্ষ আৰু তেওঁ ইচ্ছা কৰিলে প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰি তেওঁলোকৰ সমস্যা বোৰ মূহুৰ্তত সমাধান কৰিব পাৰিব বুলি তেওঁলোকে বিশ্বাস কৰে। উক্ত সভাত তেওঁলোকৰ এখন পূৰ্ণাংগ কমিটী গঠন কৰা হয়।

# ‘জনসেৱা সঁচা মানুহ বিচাৰি’ৰ কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- স্বেচ্ছাসেৱী সংস্থা ‘জনসেৱা সঁচা মানুহ বিচাৰি’ৰ উদ্যোগত চম্পাৱতী হাইস্কুল প্ৰাংগনত বিহু কৰ্মশালাৰ শুভ উদ্বোধন কৰা হয়। সংস্থাৰ সম্পাদক নুৰুল হক আহমেদে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে মুকলি কৰে সভাপতি কুমুদ শৰ্মাই। প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অযুত বৰা, সমীৰ বৰা, কস্তুৰী কাশ্যপ, মৃনাল দাস আদি। প্ৰথম দিনাই বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালাত প্ৰায় ৫৫ জনে অংশগ্ৰহণ কৰে।

# অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সংস্থাৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভা ভৱনৰ লক্ষীৰাম বৰুৱা সদনত আজি অসম প্ৰাদেশিক বেংক সংস্থাই এখন আলোচনা সভা অনুষ্ঠিত কৰে। উল্লেখ থাকে যে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এই সংস্থাই তেওঁলোকৰ বেংকৰ লগতে তেওঁলোকৰ নিজৰ দা দৰমহা ইত্যাদিক লৈ সকলো বিষয় সামৰি বিশদভাৱে এক আলোচনাত মিলিত হয়। আৰু সেই সভা খনেই অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত অল ইণ্ডিয়া বেংক কৰ্মচাৰী সংস্থাৰ সাধাৰণ সম্পাদক চি এছ ভানকাতা চালামৰ উপস্থিতিত অসম প্ৰাদেশিক বেংক কৰ্মচাৰী সংস্থাৰ সাধাৰণ সম্পাদক গৌৰৱ শৰ্মা, সভাপতি খনিন্দ্ৰ নাথ শৰ্মা, চিয়াৰমেন প্ৰদুছ কুমাৰ দেব ৰায়কে আদি কৰি প্ৰায় ৩৫ জন মান বিভিন্ন বেংকৰ কৰ্মচাৰীৰ উপস্থিতিত সভাখন অনুষ্ঠিত হয়।এই সভাতে গুৱাহাটীৰ বাহিৰেও বিভিন্ন জিলাৰ পৰা অহা বেংক কৰ্মচাৰীৰ এখন আলোচনা সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰায় ১০০ ৰো অধিক বেংক কৰ্মচাৰী উপস্থিত থাকে।

# চচলত মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ সফল সামৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া কৃষ্টি-সংস্কৃতি শুদ্ধ অনুশীলন, প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে আগত ৰাখি গঠিত ‘চচল মহিলা কৃষ্টি সমাজ’ৰ উদ্যোগত ৩১ মাৰ্চত চচল শতদল শাখা সাহিত্য সভাৰ ৰবীন্দ্ৰ নাথ দাস সভাগৃহৰ মঞ্চত দিনজোৰা কাৰ্য্যসূচীৰে মহিলাৰ দলীয় দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতাত মহানগৰ জিলাৰ বিভিন্ন অঞ্চলৰ ১০ টি দলে যোগদান কৰে। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চচল অঞ্চলৰ জেষ্ঠ্য সমাজকৰ্মী বিনা দাসে। প্ৰতিযোগিতাৰ মঞ্চ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চচল শতদল শাখা সাহিত্য সভাৰ সভাপতি থানেশ্বৰ মালাকাৰে। প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰে অসমীয়া কৃষ্টি সংস্কৃতি বিশেষজ্ঞা ড° ডালিমী কোঁৱৰ আৰু কৃষ্টি-সংস্কৃতিৰ সাধক ভুৱন গন্ধিয়াই প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে একাদিক্ৰমে নৱৰূপা নামতি দল ২ নং মঠঘৰীয়া, মিনতি দেৱীৰ দল নাৰেংগী আৰু মৰমী দাসৰ শংকৰ নামঘৰ দলে। চচল জনজাতি নামতি দলে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। শ্ৰেষ্ঠ নামতি হিচাপে পাঞ্জাবাৰী অমৃতপুৰ কলা কৃষ্টি কেন্দ্ৰ দলৰ নামতী ভৱানী বৰা আৰু শ্ৰেষ্ঠ নেগেৰা বাদকৰ সন্মান নৱৰূপা নামতি দলৰ হিতেশ দাসে লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত বঁটা দাতা তনুজ কুমাৰ মহন্ত, মন্টু বৰ্মণ, প্ৰণামী মহন্ত, নিকুঞ্জ কুমাৰ দাস আৰু থগেশ্বৰী দাসে উপস্থিত থাকি বঁটা প্ৰদান কৰে। ত্ৰি-শতাধিক ধৰ্মপ্ৰাণ ভকত-বৈষ্ণৱ, আই-মাতৃ উপস্থিত থকা দিনজোৰা প্ৰতিযোগিতাৰ সফল সমাপ্তিৰ বাবে চচল মহিলা কৃষ্টি সমাজৰ সভানেত্ৰী চিত্ৰা দাস আৰু সম্পাদিকা জোন বৰাই কৃতজ্ঞতা জ্ঞাপন কৰে।

# শিলচৰ লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল ৰাধেশ্যাম বিশ্বাসৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰতিকূল বতৰকো নেওচি প্ৰায় দুই সহস্ৰাধিক জনতাৰ সমাৰেশৰে শিলচৰ লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী শ্ৰীৰাধেশ্যাম বিশ্বাসে। শিলচৰ লোকসভা সমষ্টিৰ সৰ্বাঙ্গীন উন্নতিৰ সংকল্পৰে তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা আৰু সাংসদ সুস্মিতা দেৱক লগত লৈ প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসৰ মনোনয়ন পত্ৰ দাখিল কৰি অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাই কয় যে, “লক্ষীমপুৰৰ পাছত শিলচৰত তৃণমূলৰ দ্বিতীয় মনোনয়ন দাখিল। মনোনয়ন দাখিল কাৰ্য্যসূচীত যিদৰে ৰাইজ একত্ৰিত হৈ ওলাই আহিছে, এয়াই প্ৰমাণিত কৰে যে জনতাই

(দহ পৃষ্ঠাত চাওক)

# প্ৰব্ৰজন বিৰোধী মঞ্চৰ সংবাদ মেল



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী ক্লাবস্থিত চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনত প্ৰব্ৰজন বিৰোধী মঞ্চৰ আহ্বায়ক অভিমন্যু হাজৰিকাই এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত তেওঁ কয় যে, ২০১৪ চনত অসমৰ খিলঞ্জীয়াক ৰাজনৈতিক শক্তি বুলি বাংলাদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি ক্ষমতালৈ আহি এন আৰ চিৰ কাম কৰিলে। আৰু এতিয়া কা আইন বলৰৎ কৰি লাখ লাখ বিদেশী

(দহ পৃষ্ঠাত চাওক)

# যুৱতী, মহিলাৰ সৰবৰাহৰ ঘটনা ৰাজ্যত ভয়ানক গতিত বৃদ্ধি পাইছে..

## ( অভাৱ আৰু সজাগতাৰ অভাৱৰ সুযোগ লয় প্ৰৱঞ্চকে)

মানসী মিশ্ৰ

একবিংশ শতিকাত উপলব্ধ আমি সকলোৱে মহিলা সৱলীকৰণৰ বাবে, মহিলাৰ বিকাশৰ বাবে চিন্তা কৰাটো নিঃসন্দেহে সমাজৰ এক শুভ লক্ষণ হিচাপে আঙুলিয়াব পাৰি। বিকাশেই প্ৰগতিৰ মূল চাবিকাঠী বুলি ধৰা হয়। সেয়েহে বিকাশ আৰু উন্নয়নৰ ধাৰাটো উৰ্ধমুখী কৰাৰ বাবে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়তো বিভিন্ন আঁচনি যোজনা আদি প্ৰৱৰ্ত্তন কৰি মহিলাসকলৰ প্ৰগতিৰ ধাৰাটোক দেশৰ মূল প্ৰগতিৰ ধাৰটোৰ লগত একাত্ম কৰিবলৈ বিচৰা হৈছে। কিন্তু এনে সময়ত আমাৰ ৰাজ্যৰ চুকেকোণে এচাম যুৱতী, মহিলাই মানসিক চাপত বিধবস্ত হৈ, বিভিন্ন সামাজিক সমস্যাৰ মুখামুখি হৈ সময় পাৰ কৰিবলগীয়া হৈছে। মহিলাৰ ওপৰত হোৱা বিভিন্ন উৎপীড়ণ যেনেঃ বলাৎকাৰ, যৌন উৎপীড়ণ, এচিড ঢালি দিয়াৰ ঘটনা আদি সমাজত ভয়াবহভাৱে বৃদ্ধি পাইছে। ইয়াৰ লগতে কেইটামান বছৰ ধৰি আমাৰ সমাজত ভয়াবহ ৰূপত বৃদ্ধি পাইছে মহিলা, যুৱতীৰ লগতে কিশোৰী কন্যা সকলৰ সৰবৰাহৰ কাহিনী। বিশেষকৈ ২০২৪ বৰ্ষটোৰ প্ৰথম এই দুটা মাহতে অতি ভয়াবহ হাৰত বৃদ্ধি পাইছে মহিলা, যুৱতীৰ সৰবৰাহৰ ঘটনা। উল্লেখ কৰিব লাগিব যে সৰস্বতী পূজাৰ দিনটোত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা ৯ গৰাকী কিশোৰী, যুৱতীক অপহৰণ কৰিছিল। মধ্যভোগী দালালৰ জৰিয়তে বিভিন্ন কুচক্ৰত এই যুৱতী, কিশোৰী সকলক বিক্ৰীকৰাৰ উদ্দেশ্যেৰে অপহৰণ কৰা হৈছিল। অতি উল্লেখনীয় যে শাৰীৰিক ভাৱে প্ৰত্যাহ্বান যুক্ত ব্যক্তি যিয়ে ৰে'লত গীত গাই ফুৰে তেনে ব্যক্তিক মূল নায়ক হিচাপে এক অপহৰণৰ নাটকত জড়িত কৰোৱা হৈছিল। এই ঘটনাই সমগ্ৰ ৰাজ্যতে তোলপাৰ লগোৱা সময়তে ৰাজ্যৰ ভিন্ন ঠাইত অপহৰণৰ ঘটনা সংঘটিত হৈছিল আনকি খোদ মহানগৰীৰ মাজ মজিয়াৰ পৰাই বিবাহিত মহিলাক অচিনাকি ব্যক্তিয়ে জোৰ কৰি টানি অপহৰণৰ বাবে চেষ্টা চালাইছিল।

এটা দিশ আমি উল্লেখ কৰিবই লাগিব যে মহিলা যুৱতীক অপহৰণ কৰিয়েই হওঁক অথবা বিভিন্ন চলাহী কথাৰে ফুচুলাই হওঁক অনৈতিক সৰবৰাহৰ দৰে কুকাৰ্য্যত লগোৱা ঘটনা সমূহ আমাৰ সমাজত মুঠেই নতুন নহয়। প্ৰায় দুটা দশকৰ আগতেই আমাৰ ৰাজ্যত এই অনৈতিক সৰবৰাহৰ ঘটনাই গা কৰি উঠিছিল। এই সৰবৰাহৰ সমগ্ৰ বিষয়টোৰ লগত মধ্যভোগী দালাল কিছুমান জড়িত হৈ থাকে। যিসমূহ ৰাজ্যত শিক্ষাৰ হাৰ কম লগতে জনসাধাৰণৰ মাজত সামাজিক সচেতনতাও যথেষ্ট পৰিমাণে কম, যিসমূহ ৰাজ্যত চাহ বাগিছা, চৰ এলেকা আদিৰ সংখ্যা বেছি, সেই এলেকাসমূহত এনে মানৱ সৰবৰাহৰ দৰে অনৈতিক কাৰ্য্য কৰিবলৈ সুবিধা হয়। যেতিয়া ধন অথবা অৰ্থৰ বিনিময়ত মধ্যভোগী দালালৰ সৈতে লগ লাগি মানুহক বিক্ৰী কৰি দি অৰ্থ উপাৰ্জন কৰে, তাকেই অনৈতিক সৰবৰাহ বুলি কোৱা হয়। এই সৰবৰাহ কাৰ্য্যত শিশু, কিশোৰী, মহিলা, যুৱতী সকলোকে জড়িত কৰোৱাব পাৰে। এই কামটো চলাই নিবলৈ মধ্যভোগী দালালৰ জৰিয়তে সেই ভিতৰুৱা, পিছপৰা অঞ্চল, গাওঁসমূহত বসবাস কৰে আৰু তেনেকৈ আৰ্থিক ভাৱে একেবাৰে দুৰ্বল, শিক্ষা সজাগতা নোহোৱা লোকসকলৰ ঘৰত প্ৰৱেশ কৰে আৰু চলাহী কথাৰে অভিভাৱকসকলক প্ৰলোভিত কৰে যে তেওঁলোকৰ জীয়ৰী, কন্যা অথবা পত্নীক তেওঁলোকে উচ্চ দৰমহাত বাহিৰলৈ নি চাকৰি দিম বুলি প্ৰলোভন দিয়ে। যদি কিশোৰী, যুৱতীসকল সৌন্দৰ্য্যশালী হয় তেনে ক্ষেত্ৰত তেওঁলোকক ছিনেমা, চিৰিয়েল আদিত অভিনয় কৰিবলৈ দিব অথবা ডাঙৰ ডাঙৰ বিউটি পাৰ্লাৰত উচ্চ দৰমহাত কামত সুমুৱাই দিব বুলি প্ৰলোভিত কৰে। সহজ সৰল হোজা প্ৰকৃতিৰ অভিভাৱকে এই চক্ৰান্ত আৰু চলাহী কথা বুজিব নোৱাৰি তেওঁলোকে কোৱা কথাখিনিতে পৰ্তিয়ন যায়। আনকি বহুতো পিতৃ-মাতৃক ফুচুলাই তেওঁলোকৰ কন্যা সন্তানক বাহিৰত উপযুক্ত পাত্ৰত বিয়া দিম বুলি উলিয়াই নি বাহিৰত দালালৰ হতুৱাই বেয়া চক্ৰত বিক্ৰী কৰি দিয়ে। চাকৰি, অভিনয়, বিয়াৰ প্ৰলোভন দি উলিয়াই নিয়া বেছি সংখ্যক কিশোৰী, যুৱতী, মহিলাই পতিতালয়ত কাম কৰিব লগীয়া হৈছে। কিছুসংখ্যক বিনা পাৰিশ্ৰমিকে আনৰ ঘৰত বনকৰা মানুহ, অথবা সস্তীয়া বিউটি পাৰ্লাৰ কিছুমানত কামত লগোৱা হৈছে। ইয়াৰ লগে লগে তেওঁলোকক জোৰ জুলুম কৰি কিছুমান অনৈতিক কামত নিয়োগ কৰা হৈছে।

আমি নিজেও এনে কিছুমান ভুক্তভোগী লগ পাইছোঁ যি সকলে নিজমুখেৰে সেই অন্ধকাৰময় দিনবোৰৰ কথা বৰ্ণনা কৰিছিল। ইউনিচেফ অসম চেপ্তাৰৰ সহযোগিতাত আৰু কেন্দ্ৰীয় চৰকাৰৰ মহিলা সমাখ্যা আঁচনিখনৰ উদ্যোগত অসমৰ কেইবাখনো জিলাত অনৈতিক সৰবৰাহৰ পিছত আৰক্ষী আৰু ৰাইজৰ সহযোগিতাত উদ্ধাৰ কৰি অনা যুৱতী, মহিলাসকলক লৈ এখন আলোচনা সভাৰ কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হৈছিল। ইয়াত তেওঁলোকে খুব দুখেৰে বৰ্ণনা কৰিছিল যে কেনেকুৱা কদৰ্য্যময় পৰিৱেশত তেওঁলোকক ৰখা হৈছিল। বহুতক বিনা পাৰিশ্ৰমিকত কামত নিয়োগ কৰা হৈছিল। কিছুমানক অভক্ষ জন্তুৰ মাংস কটা কামত নিয়োগ কৰা হৈছিল। যিসমূহ পেকেজিঙ কৰি বিদেশৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰা হৈছিল। বহু কম বয়সীয়া যুৱতীক আকৌ বিউটি পাৰ্লাৰত কাম কৰাৰ বিনিময়ত একেবাৰে ন্যূনতম পাৰিশ্ৰমিক দি দেহ ব্যৱসায়ৰ দৰে অনৈতিক কামতো জড়িত কৰোৱা হৈছিল। তেওঁলোকৰ জীৱন সোমাই পৰিছিল এক অন্ধকাৰৰ মাজত। সেয়েহে দিল্লী আৰক্ষী আৰু অসম আৰক্ষীৰ যৌথ সহযোগিতাত তেওঁলোক এনেদৰে নিজৰ ৰাজ্যলৈ ঘূৰি আহিব পৰাত তেওঁলোকৰ জীৱনে এক নতুন অৰ্থ লাভ কৰিছিল। এই প্ৰকল্পৰ অধীনত বেছিকৈ সৰবৰাহ হোৱা স্থান, পকেট সমূহ বিচাৰি উলিওৱা হৈছে। সেই অঞ্চলসমূহত একোখন অনৈতিক সৰবৰাহ বিৰোধী সমিতি গঠন কৰা হৈছিল। আৰক্ষী বিভাগৰ কৰ্মকৰ্তা, গাওঁ প্ৰধান, শিক্ষক, যুৱসংঘৰ সদস্য, অংগনবাড়ী কৰ্মী আদি এই কমিটিৰ সদস্য আছিল। এই কমিটিৰ জৰিয়তে সেই অঞ্চলসমূহত মানৱ সৰবৰাহৰ ওপৰত সজাগতা প্ৰদান কৰা হৈছিল আৰু কোনো সন্দেহজনক ব্যক্তিৰ জৰিয়তে সেই অঞ্চলসমূহত সৰবৰাহৰ ঘটনা ঘটি আছে নেকি সেই বিষয়ে তদাৰক কৰা হৈছিল। বিগত চাৰি পাঁচ বছৰৰ পৰা এই সমস্যাই আকৌ ভয়াবহ ৰূপত গা কৰি উঠিছে। ৰাজ্যৰ বিশেষ কেইখন মান জিলা বিশেষকৈ অসমৰ শোণিতপুৰ, ধেমাজি, ওদালগুৰি, কোকৰাঝাৰ, লখিমপুৰ আদিৰ পৰাই বহু



কিশোৰী, যুৱতী, মহিলাকো মধ্যভোগী দালালচক্ৰৰ জৰিয়তে উলিয়াই লৈ যোৱা হৈছে। আমাৰ অভিজ্ঞতাসমূহৰ পৰা দেখা পোৱা গৈছে যে অসমৰ শোণিতপুৰ, ধেমাজি, ওদালগুৰি, কোকৰাঝাৰ, লখিমপুৰ আদি জিলাসমূহত প্ৰতিবছৰে বহুসংখ্যক ছোৱালী মধ্যভোগী দালাল চক্ৰৰ জৰিয়তে বিভিন্ন ভাল ভাল কামৰ মিছা প্ৰলোভন দি অন্যান্য ৰাজ্যলৈ সৰবৰাহ কৰা হয়। উদাহৰস্বৰূপে এটা ঘটনা খুব ওচৰৰ পৰা দেখিছিলোঁ যে ধেমাজি জিলাত কেইবছৰমান আগতে ১৮-১৯ গৰাকী মান যুৱতীক ধেমাজি জিলাৰ বিভিন্ন গাওঁ এলেকাৰ পৰা দিল্লীত উচ্চ প্ৰযুক্তি সম্পন্ন অত্যাধুনিক বিউটি পাৰ্লাৰৰ কামত নিয়োজিত কৰাৰ প্ৰলোভন দি উলিয়াই লৈ যাবলৈ যো-জা কৰিছিল। কিন্তু সৌভাগ্যক্ৰমে ধেমাজি জিলাৰ আৰক্ষী বিভাগ আৰু মহিলা সমাখ্যা আঁচনিৰ ৰূপায়ণ গোট কাৰ্য্যালয়ৰ কৰ্মকৰ্তাসকলৰ বিশেষ তৎপৰতাত এই যুৱতীসকল

(আঠপৃষ্ঠাত চাওক)

# পৱিত্ৰ ৰমজান

এহিয়া আহমেদ, মৈৰাবাৰী



ভক্তিৰ খিৰিকীৰে আগমন
পৰম কৰুণাময়ৰ দান;
সৃষ্টিৰ স্ৰষ্টাৰ অশেষ নিয়ামত
পৱিত্ৰ ৰমজান।
পৱিত্ৰ ৰমজানৰ সমস্ত
ইবাদত তথা আৰাধনা;
কবুল কৰিব মহান আল্লাহ
দোৱা আৰু বন্দনা।
এই মাহতে হৈছিল নাযিল
পৱিত্ৰ কোৰআন;
ইবাদত আৰু তিলাৱতত
আযাবৰ পৰিত্ৰাণ।
ৰহমত, মাগফিৰাত আৰু নাজাত
তিনিটি ভাগৰ ৰোজা;
চেহেৰী, ইফতাৰ আৰু নামাজ পঢ়ি
কমিব পাপৰ বোজা।
লাইলাতুল কদৰ নামে
আছে পৱিত্ৰ ৰজনী;
ভাগ্য নিৰ্ধাৰণ হয় মু'মিনৰ
আল কোৰআনৰ বাণী।

# ভোটাৰৰ প্ৰতি জনপ্ৰতিনিধিসকল কিমান দায়বদ্ধ ?

**দেবৰ্ষি গৌতম, বনগাঁও**

যিকোনো এখন দেশত ভোটাৰৰ ওপৰত নিৰ্ভৰ কৰিয়ে প্ৰতিগৰাকী ৰাজনৈতিক নেতাই সাংসদ নাইবা বিধায়ক হোৱাৰ যি সপোন সেয়া বাস্তৱায়িত কৰে। ভোটাৰ সকলক উলাই কৰি কোনো ৰাজনৈতিক নেতাই নিজৰ আশা আকাংক্ষা পূৰণ কৰিব নোৱাৰে। প্ৰতিটো নিৰ্বাচনত ভোটাৰ সকলে প্ৰদান কৰা ভোট লাভ কৰিয়ে একোগৰাকী ৰাজনৈতিক নেতাই মন্ত্ৰী-বিধায়ক হবলৈ সক্ষম হয়। সেয়া লাগিলে শাসকীয় পক্ষৰে হওক নাইবা বিৰোধী পক্ষৰে হওক। যি দলৰে চৰকাৰ নহওক লাগিলে কিন্তু মুখ্যমন্ত্ৰী গৰাকী সদায় সমগ্ৰ ৰাজ্যখনৰ প্ৰতিগৰাকী লোকৰ মুখ্যমন্ত্ৰী। ঠিক একেদৰে এটা সমষ্টিত যি দলৰে প্ৰাৰ্থী বিজয়ী নহওক লাগিলে নিৰ্বাচিত সেই প্ৰাৰ্থী গৰাকী কিন্তু সমষ্টিটোৰ প্ৰতিগৰাকী লোকৰ বাবে বিধায়ক অৰ্থাৎ জনপ্ৰতিনিধি। ভোটাৰ ৰাইজে যিকোনো এটা দলৰ এগৰাকী দক্ষ বুলি বিবেচনা কৰা প্ৰাৰ্থীক ভোট দি বিধায়ক হিচাপে নিৰ্বাচিত কৰে। নিজৰ পছন্দৰ প্ৰাৰ্থী গৰাকীয়ে সেই নিৰ্দিষ্ট সমষ্টিটোৰ সৰ্বাংগীন উন্নয়ন কৰাৰ লগতে ৰাইজৰ দুখ-দুৰ্দশা আৰু সমস্যা সমূহ চৰকাৰৰ ওচৰত উপস্থাপন কৰিব পাৰিব বুলি বিশ্বাস কৰি প্ৰাৰ্থী গৰাকীক নিৰ্বাচিত কৰে। কিন্তু বহু সময়ত আমি দেখিবলৈ পাওঁ যে এগৰাকী প্ৰাৰ্থীয়ে বিৰোধী পক্ষৰ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত শাসনত থকা দলত যোগদান কৰি বিধায়ক পদৰ পৰা পদত্যাগ কৰে। বিধায়ক শূন্য হৈ পৰাৰ লগে লগে সেই নিৰ্দিষ্ট সমষ্টিটোত উপনিৰ্বাচন অনুষ্ঠিত কৰা হয় আৰু উপনিৰ্বাচনত সেই একে প্ৰাৰ্থী গৰাকীয়ে পুনৰ সেই একে সমষ্টিতে শাসকীয় দলৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হয়। ৰাজনৈতিক নেতাসকলৰ এনে ধৰণৰ পাভলুটি মৰা স্বভাৱে কিন্তু ভোটাৰ ৰাইজৰ মনত বহু প্ৰশ্নৰ অৱতাৰণা কৰে। সচাকৈ ৰাজনৈতিক নেতাসকলে কেৱল ৰাইজৰ সেৱা কৰিবলৈ নিৰ্বাচনত অৱতীৰ্ণ হয় নে? আচলতে ৰাজনৈতিক নেতা সকলে নিজৰ ব্যক্তি স্বাৰ্থ আৰু নিজৰ উচ্চাকাংক্ষা সিদ্ধি কৰিবলৈহে ৰাজনীতিক ঢাল হিচাবে ব্যৱহাৰ কৰে নেকি ? নিজ মুখেৰে বেয়া আৰু দুৰ্নীতিগ্ৰস্ত বুলি কোৱা সেই একেটা দলতে যেতিয়া নিজে এগৰাকী ৰাজনৈতিক নেতাই যোগদান কৰে তেতিয়া সেই ৰাজনৈতিক দলটো কেনেদৰে শুদ্ধ আৰু ভাল হৈ পৰে সেয়া কিন্তু অতি আশ্চৰ্যকৰ কথা ? কেৱল ক্ষমতাৰ লালসাত ভোটাৰ ৰাইজৰ জনাদেশক আওকাণ কৰি অন্য দলত যোগদান কৰি নিজৰ স্থিতি সলনি কৰাটো ৰাজনৈতিক নেতাসকলৰ বাবে নৈতিক স্খলন নহয়নে ? ভোটাৰ ৰাইজে প্ৰদান কৰা জনাদেশক সন্মান জনাই ৰাজনৈতিক নেতা সকলে ক্ষমতাৰ পৰা আঁতৰত থাকি ৰাইজৰ দুখ-দুৰ্দশা, অভাৱ-অভিযোগ সমূহ চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ কিয় অপাৰগ? বৰ্তমান সময়ৰ ৰাজনীতিত উত্থাপিত আটাইতকৈ ডাঙৰ প্ৰশ্নটো হৈছে ৰাজনৈতিক নেতাসকলৰ বাবে নীতি-আদৰ্শ



সৰ্বোচ্চ নে ক্ষমতা সৰ্বোচ্চ? আচলতে যিসকল লোকে নীতি-আদৰ্শক বিশ্বাস কৰি ৰাজনীতি কৰে তেনে লোকসকলে কেতিয়াও ক্ষমতাৰ লালসাত ভোটাৰ ৰাইজে দিয়া জনাদেশক ভৰিৰে মোহাৰি আগবাঢ়ি যাবলৈ চেষ্টা নকৰে। যিহেতু প্ৰতিগৰাকী সাংসদ অথবা বিধায়ক ৰাইজৰ প্ৰতিনিধি গতিকে তেওঁলোকে ভোটাৰ ৰাইজে দিয়া জনাদেশক সন্মান জানোৱাটো তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্ব। নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছত যেতিয়া আকৌ যিকোনো এটা বা ততোধিক সমষ্টিত উপনিৰ্বাচন অনুষ্ঠিত কৰিব লগীয়া হয় তেতিয়া কিন্তু তাৰ বাবে ব্যয় হোৱা ধন ৰাজকোষৰ পৰাই খৰছ হয়। এগৰাকী দায়িত্বশীল ব্যক্তি হিচাপে কেৱল নিজৰ ৰাজনৈতিক ভৱিষ্যত সুৰক্ষিত কৰাৰ স্বাৰ্থত এনেদৰে ৰাজকোষৰ ধন অপব্যয় কৰাটো কোনো কাৰণতে যুক্তিসংগত নহয়। জনপ্ৰতিনিধি হিচাপে নিজৰ ৰাজনৈতিক স্থিতি সলনি কৰাৰ পৰিবৰ্তে ৰাইজে দিয়া জনাদেশক স্বীকাৰ কৰি ৰাইজৰ বাবে কাম কৰিব লাগে।

# জোনাক বৰণীয়া সাগৰখন

**সংগীতা ডেকা, ৰঙিয়া**



শেষ পৰশ আছিল সেয়া
হেঙুলীয়া প্ৰান্তত ৰঙা পাহিবোৰ এৰি অহাৰ
ক্ষীপ্ৰ সময়ৰ বোকোচাত উঠি
দুচকুৰে টোপ টোপ কাহিনী আঁকি গৈছিল
ভিতৰে ভিতৰে "কাগজীয়" পথত....
আৰু বাহিৰৰ পৃথিবীত, উহ্য সেয়া
আক্ষেপৰ থল নাই, অভিমানৰ অৱকাশ নাই
কি আছিল তেনেহ'লে ?
এমুঠি হুমুনিয়াহ, নে এআকাশ "সন্ধ্যাৰবণ" ?
দেখিছিলোঁ, বাস্তৱৰ শেতেলীত
আলসুৱা আৱেগে লাহে লাহে,
ওৰণি জপাবলৈ আগুৱাই যোৱা "ডাৰবাৰণ"'ক
কিন্তু, অনুভৱে জানো সহজে শুই পৰে ?
নাজানোঁ.....!
হৃদয়খন সাক্ষী হৈ পৰিছিল একোণত,
যে জোনাক বৰণীয়া সাগৰখন এতিয়া বহু নিলগত
আৰু দুহাতত এক স্মৃতিৰ ফ্ৰেম
জীৱনযোৱা, জীৱনযোৱা, জীৱনযোৱা !

# বৃদ্ধাশ্ৰম



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

পিতৃ - মাতৃয়ে নিজৰ সন্তানৰ কাৰণে সকলো ত্যাগ কৰিবলৈ কুণ্ঠাবোধ নকৰে, কিন্তু বৃদ্ধ বয়সত যেতিয়া সেই সন্তানে পিতৃ - মাতৃক আলাই আথানি কৰে, তাৰ ভাষা বিচাৰি পোৱা নাযায়। ইঞ্জিনীয়াৰ উদাৰমনা, সৰলচিতিয়া "তন্ময় বৰুৱাক" গাঁওৰ সকলোৱে সন্মান কৰে। বৰুৱাই গাঁওৰ মানুহকো যি খিনি পাৰে সহায়ো কৰে। বৰুৱাৰ পত্নীয়ো তেওঁৰ দৰেই সহজ-সৰল, সন্তানক তদাৰক কৰা আৰু ঘৰখনৰ কামতে ব্যস্ত থাকে। তেওঁলোকৰ তিনিটা ল'ৰা আৰু এজনী ছোৱালী খুব মৰম লগা।

বৰুৱা আৰু বৰুৱানী চাৰিটা সন্তানক সমান মনোভাৱ ৰাখি ডাঙৰ দীঘল কৰিছে। সিহঁতৰ মতেই পঢ়াশুনা কৰিব দিছে। সিহঁতেও নিজৰ মতে পঢ়াশুনা কৰে তেনেকৈ সময়বোৰ গৈ থাকিল। ল'ৰা তিনিটা উচ্চ শিক্ষাৰ বাবে চহৰত পঢ়িব গ'ল। ছোৱালী জনী গাঁওৰ স্থানীয় কলেজত পঢ়িলে। বৰুৱাই নিজৰ ঘৰুৱা আৰু চৰকাৰী দুয়োটা দায়িত্ব সুচাৰুৰূপে পালন কৰি গৈ থাকিল।

যথা সময়ত ল'ৰা-ছোৱালী কেইটাই শিক্ষা জীৱন সামৰি বৃত্তিগত কামত নিয়োজিত হ'ল। সন্তান কেইটা উপযুক্ত হোৱাত প্ৰথমে ছোৱালী জনীক বিয়া দিলে, তাৰ পিছত ল'ৰা তিনিটালৈ চহৰৰ পৰা সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী আনিলে সিহঁতে পচন্দ কৰি থোৱা। বৰুৱাৰ গাঁওৰ ছোৱালী বোৱাৰী কৰি আনিবলৈ মন আছিল কিন্তু সন্তানৰ সুখী হোৱাটোহে বৰুৱাই কামনা কৰিছিল। সন্তানৰ মতেই সকলো কৰি দিছিল। এনেকৈয়ে এদিন বৰুৱাৰ অৱসৰ দিন আহিল, চাকৰিৰ পৰা অৱসৰ ল'লে । জীৱনৰ দায়িত্ব বোৰ কৰি গ'ল গাঁওৰ সমাজখনে মুখিয়ালৰ দায়িত্ব দিলে। গাঁৱৰ সকলোৱে জোৰ দি ধৰাত তেওঁ না কৰিব নোৱাৰিলে। তেওঁ ব্যস্ত হৈ থাকি ভালেই পালে।

বয়স বঢ়াৰ লগে লগে শৰীৰত ব্লাড প্ৰেছাৰ, চুগাৰ আদিয়ে দেখা দিলে, তথাপিও নিজৰ যিখিনি পাৰে কাম কৰি যায় ।কিন্তু ল'ৰা কেইটাই চহৰৰ পৰা অনা বোৱাৰী কেইজনীয়ে ঘৰখনত অশান্তি কৰিব ধৰিলে।

অত্যাধুনীক একক পৰিয়ালৰ বোৱাৰী কেইজনীয়ে, সিহঁতৰ হাইপ্ৰফাইল পিতৃ -মাতৃক গুণানু কীৰ্তন, শাহুৰেকক ঠাট্টা মস্কৰা, পুতেক হতেও নিশা পাৰ্টি কৰি আহি দুয়ো পিতৃ মাতৃক গালি -গালাজ। ছোৱালীজনীৰো মাক-দেউতাকৰ প্ৰতি উদাসীনতা, এশ -এবুৰী কথাই তেওঁলোকৰ মনত আঘাত দি আছিল। এদিন ডাঙৰ পুতেকৰ ব্যৱহাৰত তেওঁলোকৰ মনত গভীৰ শোকে ৰেখা পাত কৰিলে।

শেষত তেওঁলোক দুয়োজনে সিদ্ধান্ত ললে আৰু নিজৰ লাগতিয়াল কাপোৰ খিনি, পেঞ্চনৰ বহীটো লগত লৈ এজনে আনজনৰ হাতত ধৰি ঘৰৰ পৰা ওলাই আহিল গাঁওৰ আনটো মূৰত আগতে বনাই থোৱা পূৰ্ণকুটীৰ আশ্ৰমখনলৈ। দুবছৰমানৰ আগতে তেখেতে স্থাপন কৰিছিল । আজি তাতেই তেখেতসকলৰ লখত দুয়োজন সুখ-দুখৰ মাজেৰে জীৱন অতিবাহিত কৰিব ধৰিলে ।

# মানসিক স্বাস্থ্য কিয় গুৰুত্বপূৰ্ণ?

ৰুহুল আমিন,সহকাৰী অধ্যাপক, শিক্ষা বিভাগ
চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, বাঘবৰ



**আৰম্ভণিঃ**

মানসিক স্বাস্থ্য মানে ব্যক্তি এজনৰ আৱেগিক, মানসিক আৰু সামাজিক সুস্থতাক বুজায়। ইয়াত চাপ নিয়ন্ত্ৰণ কৰা, ইতিবাচক সম্পৰ্ক বজাই ৰখা, সঠিক সিদ্ধান্ত লোৱা, আৰু জীৱনৰ প্ৰত্যাহ্বানৰ সৈতে খাপ খোৱা ইত্যাদি সামৰ্থ্য অন্তৰ্ভুক্ত থাকে। ভাল মানসিক স্বাস্থ্যই সামগ্ৰিক স্থিৰতাত অৰিহণা যোগায়, যাৰ ফলত ব্যক্তিসকলে পৰিপূৰ্ণতা আৰু স্থিতিস্থাপকতাৰ অনুভূতিৰে জীৱনৰ অভিজ্ঞতা লাভ কৰিব পাৰে। ইয়াত অন্তৰ্ভুক্ত থাকে আৱেগিক নিয়ন্ত্ৰণ, কাৰ্যকৰী যোগাযোগ, আৰু নিজৰ আৰু চাৰিওফালৰ পৃথিৱীৰ ওপৰত এক সন্তুলিত দৃষ্টিভংগী। মানসিক স্বাস্থ্য হৈছে এক সন্তোষজনক জীৱন যাপন কৰা, জ্ঞানীয় কাৰ্য, পাৰস্পৰিক সংযোগ প্ৰভাৱিত কৰা, আৰু ইতিবাচক মানসিকতাৰ সৈতে দৈনন্দিন অভিজ্ঞ তাবোৰ চিহ্নিত কৰাৰ সামৰ্থ্যক প্ৰভাৱিত কৰা।

মানসিক স্বাস্থ্য হৈছে সামগ্ৰিক সুস্থতাৰ এক আধাৰশিলা, ব্যক্তিসকলে জীৱনৰ প্ৰত্যাহ্বানবোৰ কেনেদৰে ভাবে, অনুভৱ কৰে আৰু ইয়াক চিহ্নিত কৰে তাৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্বাস্থ্য সেৱাৰ বাবে এক সামগ্ৰিক দৃষ্টিভংগীৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শেহতীয়া বছৰবোৰত, মানসিক স্বাস্থ্যৰ গুৰুত্বৰ স্বীকৃতি যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। এই লেখাটোৰ জৰিয়তে এক পৰিপূৰ্ণ আৰু উৎপাদনশীল জীৱন যাপনৰ বাবে আমাৰ মানসিক স্বাস্থ্য কিয় গুৰুত্বপূৰ্ণ তাৰ কাৰণবোৰ অন্বেষণ কৰাৰ যত্ন কৰা হৈছে। আমাৰ মানসিক স্বাস্থ্য কিয় গুৰুত্বপূৰ্ণ তাৰ ওপৰত আলোকপাত কৰিবলৈ নিম্নলিখিত দিশসমূহ মূলত আলোচ্য বিষয়-

**শাৰীৰিক স্বাস্থ্যৰ আধাৰঃ** মানসিক স্বাস্থ্য আৰু শাৰীৰিক স্বাস্থ্য আন্তঃসংযোগযুক্ত। দীৰ্ঘম্যাদী চাপ আৰু মানসিক স্বাস্থ্যৰ সমস্যাই বিভিন্ন শাৰীৰিক ৰোগত অৰিহণা যোগাব পাৰে, যাৰ ভিতৰত আছে হৃদৰোগ, দুৰ্বল ৰোগ প্ৰতিৰোধ প্ৰণালী, আৰু হজমৰ বিকাৰ। সামগ্ৰিক স্বাস্থ্যৰ বাবে এক শক্তিশালী ভেটি বজাইৰখাৰ বাবে মানসিক সুস্থতাক অগ্ৰাধিকাৰ দিয়াটো অত্যাৱশ্যকীয়। এইক্ষেত্ৰত মানসিক স্বাস্থ্য শাৰীৰিক স্বাস্থ্যৰ আধাৰ হিচাপে কাম কৰে, সেয়ে আমি আমাৰ মানসিক স্বাস্থ্যৰ দিশসমূহৰ প্ৰতি সচেতন হোৱা উচিত।

**বৰ্ধিত স্থিতিস্থাপকতাঃ** শক্তিশালী মানসিক স্বাস্থ্যই স্থিতিস্থাপকতা বৃদ্ধি কৰে, যাৰ ফলত ব্যক্তিসকলে জীৱনৰ প্ৰত্যাহ্বান আৰু বিফলতাৰ সৈতে অধিক কাৰ্যকৰীভাৱে মোকাবিলা কৰিব পাৰে। স্থিতিস্থাপকতাই মানুহক প্ৰতিকূলতাৰ পৰা উভতি আহিবলৈ, পৰিৱৰ্তনৰ সৈতে খাপ খুৱাবলৈ, আৰু ইতিবাচক দৃষ্টিভংগীৰে চাপ বোৰ চিহ্নিত কৰিবলৈ সক্ষম কৰে। ভাল মানসিক স্বাস্থ্যৰ জৰিয়তে স্থিতিস্থাপকতা গঢ়ি তোলাটো অধিক পৰিপূৰ্ণ আৰু সন্তুলিত জীৱন যাপনৰ মূল চাবিকাঠি।

**উন্নত সম্পৰ্কঃ** স্বাস্থ্যকৰ সম্পৰ্কবোৰ কাৰ্যকৰী যোগাযোগ, সহানুভূতি আৰু বুজাবুজিৰ ওপৰত নিৰ্মিত এই সকলোবোৰ মানসিক সুস্থতাৰ দ্বাৰা প্ৰভাৱিত হয়। ভাল মানসিক স্বাস্থ্য থকা ব্যক্তিসকল আনৰ সৈতে ইতিবাচক সম্পৰ্ক গঢ়ি তুলিবলৈ আৰু বজাই ৰাখিবলৈ অধিক সুসজ্জিত, এক সহায়ক সামাজিক নেটৱৰ্ক গঢ়ি তোলে যি আৱেগিক স্থিৰতাত অৰিহণা যোগায়।

**উৎপাদনশীলতা আৰু প্ৰদৰ্শনঃ** মানসিক স্বাস্থ্যই জ্ঞানীয় কাৰ্যত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়, যাৰ ভিতৰত আছে একাগ্ৰতা, সিদ্ধান্ত লোৱা, আৰু সমস্যা সমাধানৰ সক্ষমতা। এক স্বাস্থ্যৱান মনেহে বৰ্ধিত উৎপাদনশীলতা আৰু উন্নত সামগ্ৰিক দিশ প্ৰদৰ্শনত অৰিহণা যোগায়, সেয়া লাগিলে কৰ্মক্ষেত্ৰত, শিক্ষাত হওঁক বা ব্যক্তিগত কামতেই নহওঁক কিয়!

**আৱেগিক নিয়ন্ত্ৰণঃ** মানসিক স্বাস্থ্যই আৱেগ নিয়ন্ত্ৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এক স্থিৰ মানসিক স্থিতিয়ে ব্যক্তি সমষ্টিক চাপ, উদ্বেগ আৰু অন্যান্য আৱেগ কাৰ্যকৰীভাৱে নিয়ন্ত্ৰণ কৰিবলৈ উপযুক্ত হিচাপে গঢ়ি তোলে। যুক্তিসঙ্গত সিদ্ধান্ত লোৱা, স্বাস্থ্যকৰ সম্পৰ্ক বজাই ৰখা, আৰু জীৱনৰ জটিলতাবোৰ পৰিচালনা কৰাৰ বাবে এই আৱেগিক ভাৰসাম্য অত্যাৱশ্যকীয়।

**মানসিক স্বাস্থ্যৰ বিকাৰ প্ৰতিৰোধঃ** সক্ৰিয় আত্ম-যত্ন ব্যৱস্থাৰ জৰিয়তে মানসিক স্বাস্থ্যক অগ্ৰাধিকাৰ দিয়াটোৱে অধিক গুৰুতৰ মানসিক স্বাস্থ্য বিকাৰৰ বিকাশ প্ৰতিহত কৰাত সহায় কৰিব পাৰে। চাপ, কাৰ্যকৰী মোকাবিলা প্ৰণালী, আৰু প্ৰয়োজন হ'লে সমৰ্থন বিচৰা আগতীয়া স্বীকৃতিয়ে মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বান বৃদ্ধিক প্ৰতিহত কৰাত অৰিহণা যোগাব পাৰে।

**জীৱনৰ মানদণ্ডঃ** ভাল বা সুস্থ মানসিক স্বাস্থ্য হৈছে উচ্চ মানদণ্ডৰ জীৱনৰ সমাৰ্থক। ই এজন ব্যক্তিৰ সামগ্ৰিক সুস্থতা, সন্তুষ্টি আৰু পৰিপূৰ্ণতাৰ অনুভূতিক প্ৰভাৱিত কৰে। যেতিয়া মানসিক স্বাস্থ্যক প্ৰাথমিকতা দিয়া হয়, ব্যক্তিসকলে জীৱন উপভোগ কৰিবলৈ শিকি উঠে! ব্যক্তি জীৱনৰ লক্ষ্য অনুসৰণ কৰিবলৈ আৰু অধিক উদ্দেশ্যৰ অনুভূতি অনুভৱ কৰিবলৈ মানসিক স্বাস্থ্য অতিকৈ গুৰুত্বপূৰ্ণ।

**শৈক্ষিক আৰু ব্যক্তিগত জীৱনত উত্তোৰণঃ** মানসিক স্বাস্থ্যৰ সঠিক বিকাশে আমাৰ শৈক্ষিক আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন দিশৰ উন্নয়ন সাধনত এক অভুতপূৰ্ব অৰিহণা যোগায়। মানসিক বাবে সুস্থ-সবল ব্যক্তিজনে যিকোনো বিষয়ত অতি সুন্দৰ পাৰদৰ্শিতা দেখুৱাব সক্ষম হয়। শৈক্ষিক উত্তোৰণত ব্যক্তিৰ মানসিক স্বাস্থ্য মাইলৰ খুটি হিচাপে কাম কৰে। ঠিক একেদৰে আমাৰ দৈনন্দিন জীৱনত নানা সমস্যাৰ লগত যুঁজ দি আগুৱাই যাবলৈ আমি শাৰীৰিক বাবে স্বাস্থ্যবান হোৱাৰ লগতে মানসিক বাবে সুস্থ-সবল হোৱাটো বাঞ্ছনীয়।

**সামৰণি:**

সুস্থতাৰ বিষয়টোত, মানসিক স্বাস্থ্যই এক গুৰুত্বপূৰ্ণ সূতা গঠন কৰে যাক আমি উপেক্ষা কৰিব নোৱাৰি। ই হৈছে এক ভেটি যাৰ ওপৰত শাৰীৰিক স্বাস্থ্য, স্থিতিস্থাপকতা, সম্পৰ্ক, উৎপাদনশীলতা, আৱেগিক নিয়ন্ত্ৰণ, আৰু সামগ্ৰিক জীৱন সন্তুষ্টি গঢ়ি তোলা সম্ভৱপৰ হৈ উঠে। মানসিক স্বাস্থ্যৰ গুৰুত্ব স্বীকাৰ কৰা আৰু ইয়াক প্ৰতিপালন কৰাৰ বাবে সক্ৰিয় পদক্ষেপ লোৱাটো হৈছে এক স্বাস্থ্যকৰ, সুখী আৰু অধিক পৰিপূৰ্ণ জীৱনত বিনিয়োগ। মানসিক বাবে সুস্থ-সবল জীৱন প্ৰণালীয়ে আমাক ব্যক্তিগত আৰু শৈক্ষিক উত্তোৰণত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে আহক আমি আমাৰ মানসিক স্বাস্থ্যৰ যতন লৈ এক সুস্থ আৰু শান্তিপূৰ্ণ জীৱনৰ গৰাকী হওঁ।

# বতৰৰ ফলত হোৱা বেমাৰ আৰু তাৰ পৰা সকাহ পোৱা কেইটামান ঘৰুৱা দিহাপৰামৰ্শ

লখিমী শৰ্মা,যোৰহাট



গৰমৰ দিনৰ পৰা ঠাণ্ডা হোৱা বা গৰমৰ দিনত বতৰ ডাৱৰীয়া হোৱাৰ ফলত আমাৰ শৰীৰটোত নানা ৰোগে দেখা দিয়ে আৰু আমি সেই ৰোগটোৰ প্ৰতি সজাগ হৈ সাৱধানতা অৱলম্বন নকৰিলে শৰীৰটো বহুত বেছিকৈ দুৰ্বল হৈ বেমাৰৰ সৃষ্টি কৰে। যাৰ কাৰণস্বৰূপে ইয়াৰ জগৰীয়া আমি নিজেই। গৰমেই হওঁক বা ঠাণ্ডাই হওঁক আমি নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হ'ব লাগে। জ্বৰ, কাঁহ, চৰ্দি আদি হ'লে চিকিৎসকক দেখাই ঔষধ সেৱন কৰাতকৈ ঘৰতে উপলব্ধ বা হাততে ঢুকি পোৱা কিছুমান ঔষধ আমি নিজেই ঘৰুৱাভাৱে প্ৰস্তুত কৰি সেৱন কৰি সুস্থ হৈ উঠিব পাৰোঁ। এনে কিছু ৰোগৰ সন্মুখীন হ'লে গৰম পানী খাব লাগে, গৰম পানীত অলপমান নিমখ দি হাত, ভৰি ধুব লাগে। নহৰু কেইটামান খুন্দি লৈ মিঠাতেল অকণমানত মিলাই লৈ অলপ গৰম কৰি হাত, ভৰিত মালিচ কৰিব লাগে। তুলসী পাত কেইটামান পিচি লৈ তাত মৌজুল মিলাই খাব লাগে। গৰম পানী কৰি তাত বজাৰত উপলব্ধ মেনথলৰ গুড়ি মিলাই সেই পানীখিনি কিছু সময় গোন্ধ ল'লে চৰ্দিৰ পৰা সকাহ পোৱা যায়। পুৱা শুই উঠি গৰম পানী খোৱা কৰিব লাগে। জ্বলা মচলাযুক্ত খাদ্যৰ পৰা বিৰত থাকিব লাগে। জালুকৰ জ্বলা খোৱা কৰিলে গাৰ বিষ, বেমাৰ ব্যাধি নিমিষতে নোহোৱা হয়। মুৰৰ বিষৰ প্ৰধান কাৰণ হ'ল ভালকৈ টোপনি নমৰাৰ বাবে। নিয়মিতভাৱে সোনকালে টোপনি যাবলৈ চেষ্টা কৰিলে মুৰৰ বিষৰ পৰা সকাহ পাব পাৰি। পেটৰ জ্বলা পুৰা, গেচ, গেচটিক আদি হোৱাৰ কাৰণ হ'ল বেছিকৈ জ্বলা, মচলাযুক্ত খাদ্য খোৱাৰ ফলত। খোৱা খাদ্যৰ তালিকাত কেঁচা চালাড, টেঙা, তিতা খোৱা কৰিব লাগে। আৰু লগতে পুষ্টিকৰ খাদ্য খাব লাগে। সকলো বস্তুৰে একো একোটা গুণ আছে। সেউজীয়া শাক - পাচলি, গাখীৰ, বাদাম, ডালিম, বীট, ৰঙালাও, ৰঙা মৰিচা শাক, কচুশাক, কচু থোৰ, পচলা, কলডিল, বন শাক, নৰসিংহ, মানিমুনি, ভেদাইলতা, নিমপাত, শেৱালি ফুল, তিতা ফুল আদি স্বাস্থ্যৰ কাৰণে বহুত ভাল। এইবোৰ খাদ্য খোৱা কৰি আমি আমাৰ স্বাস্থ্য নিৰোগী কৰি ৰাখিব পাৰোঁ।

# শিক্ষা আহৰণৰ ক্ষেত্ৰত পৰিৱেশ, পৰিস্থিতিৰ ভূমিকা..

**চন্দ্ৰ শেখৰ পৰাজুলী,বিশ্বনাথ চাৰিআলি**



আচলতে শিক্ষাৰ কোনো এক নিৰ্দিষ্ট সংজ্ঞা নাই। অৰ্থাৎ এক কথাত কবলৈ হ'লে যিকোনো মাধ্যমৰ জৰিয়তে অৰ্জন কৰা বা আহৰণ কৰা জ্ঞান বা দক্ষতা সমূহকে শিক্ষা বুলি গণ্য কৰিব পাৰি। কাৰণ মানৱ জীৱনত শিক্ষা আহৰণ কৰাৰ কোনো এক নিৰ্দিষ্ট সময় সীমা নাই। আমি জীৱিত থকা অৱস্থালৈকে প্ৰতিজন মানুহৰে শিক্ষণ প্ৰক্ৰিয়া অহৰহ ভাবে চলিয়েই থাকিব। এতিয়া কথা হ'ল শিক্ষা আহৰণৰ ক্ষেত্ৰত পৰিৱেশ, পৰিস্থিতিৰ ভূমিকা কিমান উল্লেখনীয়। কি সঁচাকৈ শিক্ষা আহৰণ ক্ষেত্ৰত আমাৰ পৰিৱেশ, পৰিস্থিতি সমূহে বাধা উৎপন্ন কৰিব পাৰে নেকি ? মই বৰ্তমান সময়লৈকে আয়ত্ব কৰা জীৱন অভিজ্ঞতাৰ মতে, সচৰাচৰ প্ৰায় প্ৰতিজন মানুহে যিকোনো ধৰণৰ ভাল বা বেয়া পৰিৱেশ আৰু পৰিস্থিতিতে শিক্ষা আহৰণ কৰিবলৈ সক্ষম হয়। কিন্তু সাধাৰণতে বেয়া পৰিৱেশ, পৰিস্থিতি পৰি মানুহে বেছিকৈ বেয়া দিশলৈ গতি কৰিবলৈ অতি সহজ হৈ পৰে। আনহাতে ভাল পৰিৱেশ, পৰিস্থিতিত পৰি মানুহ এজনে ভাল দিশলৈ গতি কৰাৰ সম্ভাৱনা বহু পৰিমাণে বৃদ্ধি হোৱা দেখা যায়। তথাপিও আমি হয়তো সকলোৱে লক্ষ্য কৰিবলৈ সক্ষম হৈছোঁ যে, ভাল পৰিৱেশ, পৰিস্থিতি পৰা ডাঙৰ দীঘল হোৱা লৰা- ছোৱালীবোৰো অতি সহজেই বেয়া দিশলৈ গতি কৰিছে। আনহাতে বেয়া পৰিৱেশ, পৰিস্থিতি হোৱা স্বত্বেও কিছুমান মানুহে ভাল দিশত গতি কৰি বহু সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। আচলতে আমি সকলোৱে গম পাওঁ যে, শিক্ষা আহৰণ কৰাৰ ক্ষেত্ৰত তেনে কোনো ধৰাবন্ধা সীমাৰেখা নাথাকে। গতিকে শিক্ষা আহৰণৰ ক্ষেত্ৰত পৰিৱেশ, পৰিস্থিতিক দোষাৰোপ কৰি থকাটো কিমান গ্ৰহণযোগ্য বুলি বিবেচনা কৰে। এজন সাধাৰণ মানুহ আৰু প্ৰকৃত অৰ্থত এজন মানুহৰ মাজত বহু অন্তৰ অন্তৰ্নিহিত হৈ আছে। এজন সাধাৰণ মানুহ নিৰ্মাণৰ বাবে হয়তো আমাৰ পৰিৱেশ আৰু পৰিস্থিতি সমূহৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। কিন্তু প্ৰকৃত অৰ্থত এজন মানুহ নিৰ্মাণ হ'বলৈ হ'লে মানুহৰ ইচ্ছাশক্তি আৰু আন্তৰিক শক্তিবোৰৰ ওপৰতহে বহু পৰিমাণে নিৰ্ভৰশীল। অৰ্থাৎ এজন ভাল মানুহ নিৰ্মাণৰ বাবে কেবল ভাল পৰিৱেশ, পৰিস্থিতিতিৰে দৰকাৰ হয় তেনে কোনো ধৰাবন্ধা সীমাৰেখা নাথাকে। আমাৰ যদি ইচ্ছাশক্তি আৰু আন্তৰিক শক্তি বহু প্ৰবল থকা তেন্তে আমি হয়তো বেয়া পৰিৱেশ, পৰিস্থিতি মাজতো ভাল দিশবোৰ নিৰূপণ কৰিবলৈ সক্ষম হ'ম। সেয়েহে এজন উঠি অহা শিশু বা সন্তান এজনক এটা সময়সীমালৈকে পৰিৱেশ, পৰিস্থিতিৰ বান্ধোনেৰে বান্ধি ৰাখিব পাৰি। কিন্তু আমাৰ মানৱৰ জীৱন প্ৰক্ৰিয়া একেবাৰে সন্তেকিয়া বা ইমানো চুটি নহয়। গতিকে আমাৰ উঠি অহা নৱপ্ৰজন্মক পৰিৱেশ, পৰিস্থিতিৰ বান্ধোনেৰে বান্ধি ৰখাতকৈ নিজাকৈ কি ভাল বা কি বেয়াৰ অন্তৰ কৰিব পৰাকৈ ইচ্ছাশক্তি আৰু আন্তৰিক শক্তিবোৰ বিকশিত কৰিব পৰাকৈ শিক্ষা প্ৰদান কৰক । গতিকে অন্তিমত এটা কথাকে উল্লেখ কৰিছোঁ যে, প্ৰতিজন মানুহে ভাল দিশৰে ভাল, ভাল শিক্ষা আহৰণ কৰাৰ উপৰিও বেয়া দিশসমূহতো ভাল দিশবোৰ বিচাৰ কৰি কিদৰে নিজৰ উৎকৰ্ষ সাধন কৰিব পাৰি তাৰ জ্ঞান আয়ত্ত কৰা উচিত।

# বৰগীত তথা ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্য

**জ্যোতিস্মিতা গোস্বামী শৰ্মা**



হৰি হেৰৰে বাপ পশিলো শৰণে।
নেৰিবা বান্ধৱ মোক জীৱনে মৰণে।।

**শ্ৰী শ্ৰী মাধৱদেৱ**

মৰমৰ মইনাহঁত তোমালোকে পাঠ্য পুথিত এই বৰগীতটি পঢ়িছাঁ নহয় নে। আজি বৰগীত আৰু ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্যৰ বিষয়ে জানো আহা।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ বিৰচিত উচ্চ মানবিশিষ্ট সাৱলীল ভাষাৰ স্তুতিমূলক তথা উপদেশ পূৰ্ণ শাস্ত্ৰীয় ৰাগযুক্ত আৰু আধ্যাত্মিক ভাৱ গধুৰ গীতসমূহক "বৰগীত" বোলা হয়। গুৰু দুজনাৰ গীত সমূহক তেওঁলোকৰ সমসাময়িক ভক্ত সকলে নৱ বৈষ্ণৱ যুগত ৰচিত অন্যান্য গীত সমূহৰ পৰা পৃথক কৰিবৰ বাবে "বৰগীত" বিশেষণটো প্ৰয়োগ কৰিছিল। ভাৱ ভাষা, সুৰ, প্ৰকাশভংগী আৰু বিষয়বস্তুৰ গভীৰতাৰ ফালৰ পৰা গীতসমূহ আন গীততকৈ "বৰ" অৰ্থাৎ শ্ৰেষ্ঠ। সেয়ে মহাপুৰুষ দুজনাৰ ৰচিত গীত সমূহক "বৰগীত" আখ্যা দিয়া হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীতৰ বিষয়বস্তু হৈছে শ্ৰী কৃষ্ণৰ লীলা আৰু মাধৱ দেৱৰ বৰগীতৰ বিষয় বস্তু হৈছে শিশু কৃষ্ণৰ চোৰ-চাতুৰীৰ বৰ্ণনা। পণ্ডিত সকলৰ মতে বৰ্তমান শংকৰদেৱ বিৰচিত বৰগীতৰ সংখ্যা 'একুৰি চৈধ্যটা' আৰু মাধৱদেৱৰ বৰগীতৰ সংখ্যা "ন-কুৰি এঘাৰটা"।

বৰগীতৰ লক্ষণ: ক) বৰগীত সমূহ শাস্ত্ৰীয় ৰাগ - তাল যুক্ত গীত।

খ) ইয়াৰ ভাষা ব্ৰজাৱলী।

গ) বৰগীত সমূহ ভক্তিমূলক তথা ঈশ্বৰৰ মাহাত্ম্য প্ৰকাশক গীত।

ঘ) মহাপুৰুষ দুজনাৰ গীতসমূহক "বৰগীত" বোলে। এই গীত সমূহ নামধৰ্ম প্ৰচাৰৰ বাবে ৰচিত।

ঙ) বৰগীত সমূহ প্ৰধানতঃ ভক্তি ৰস প্ৰধান যদিও গীত সমূহত দাস্য, শান্ত, বাৎসল্য আদি ৰসৰ সমাবেশ ঘটিছে।

চ) মাধৱদেৱৰ বৰগীত সমূহত শিশু কৃষ্ণৰ লীলাৰ লগতে অসমীয়া সমাজৰ ঘৰুৱা পৰিৱেশৰ চিত্ৰ দাঙি ধৰিছে।

ছ) বৰগীত সমূহ চৈধ্য প্ৰসংগৰ অন্তৰ্গত।

ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্যঃ

ক) ব্ৰজাৱলী ভাষা এক প্ৰকাৰৰ কৃত্ৰিম সাহিত্যিক ভাষা।

খ) শংকৰদেৱৰ সময়ত অসম, বঙ্গ আৰু উৰিষ্যাত কৃত্ৰিম ভাষাৰ মাধ্যমত শ্ৰীকৃষ্ণ বিষয়ক গীত পদ সৃষ্টি হৈছিল।

গ) এই কৃত্ৰিম ভাষাক ব্ৰজবুলি, ব্ৰজবোল আৰু অসমীয়াত ব্ৰজাৱলী ভাষা বোলে।

ঘ) ব্ৰজাৱলী ভাষাৰ মূল ভেঁটি মৈথিলী।

ঙ) ইয়াৰ লগত ভোজপুৰী, নেৱাৰী আৰু কাষৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণেৰে ঠাই বিশেষে এটা স্বতন্ত্ৰ ৰূপ লাভ কৰে।

চ) ব্ৰজাৱলী ভাষাটো শক্তিশালী হোৱাৰ উপৰি প্ৰচুৰ স্বৰধ্বনিৰ প্ৰায়োগ হোৱাৰ বাবেশ্ৰুতি মধুৰ।

মইনাহঁত দশম শ্ৰেণীৰ পৰীক্ষাত এনে ধৰণৰ প্ৰশ্ন আহিব পাৰে। তোমালোকে পঢ়িবা বুলি আশা ৰাখিলোঁ।

**কৌতুক**

# অশিক্ষিত স্বামী

**এছ ইছলাম, বৰপেটা**

ফুলমতী বি, এ পাছ কৰিলে। কিন্তু সিহঁত বৰ দুখীয়া।সেয়ে ধনী ঘৰৰ ল'ৰা ৰিয়াজৰ লগত বিয়া হ'ল। অশিক্ষিত যুৱকজন পঞ্চম শ্ৰেণীলৈ পঢ়িছিল।

এদিন ৰাতি ৰিয়াজে ক'লে-"ইমান ৰাতি তোৰ ফোনত মেচেচ আহে, -"ইউ আৰ বিউটিফুল।"

ফুলমতীয়ে মেচেচটো চাই ক'লে, -" ইংৰাজীৰ পণ্ডিত, সেইটো নহয়, কৈছে-"ইউৰ বেটাৰী ফুল।"

# যুৱতী, মহিলাৰ সৰবৰাহৰ

সমুখৰ ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰে।

আমাৰ জ্ঞাতে-অজ্ঞাতে এনেদৰে কিশোৰী, যুৱতীসকলৰ বিভিন্ন ৰাজ্যলৈ সৰবৰাহ হয়। ইতিমধ্যে মানৱ অধিকাৰ আয়োগৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে ভাৰতবৰ্ষৰ গোৱা, কেৰালা, জম্মু কাশ্মীৰ আদি ঠাই যৌন পৰ্যটনস্থলী হিচাপে গঢ় লৈ উঠিছে। এই কিশোৰী যুৱতীসকলৰ, যিসকলে বিভিন্ন ৰাজ্যত সৰবৰাহৰ জৰিয়তে এনে কাৰ্য্যত জড়িত হৈ পৰিছিল সেই সকলক আৰক্ষী, বিভিন্ন সমাজসেৱী সংগঠন আদিৰ সহায়ত উদ্ধাৰ কৰি আনিবলৈ সক্ষম হৈছে। কিন্তু এইখিনিতে দেখা দিয়া সমস্যাটোৱে হৈছে তেওঁলোকে গাওঁ আহি পোৱাৰ লগে লগে তেওঁলোকৰ সামাজিক স্থান হেৰুৱায়। সমাজত বহুতে বেয়া ঠাইৰ পৰা অহা বুলি বেয়া মন্তব্য দিবলৈ লয়। তেওঁলোক পৰিয়াললৈ উভতি অহাৰ পিছত নিজৰ পিতৃ-মাতৃ, অভিভাৱকে যেন এক প্ৰকাৰ বিমোৰত পৰে। সেইকাৰণে যিসকল যুৱতী, মহিলাক ৰাজ্যলৈ উদ্ধাৰ কৰি আনিব পৰা গৈছে তেওঁলোকৰ সংস্থাপনৰ কথা চিন্তা কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় কথা। এইসকলৰ আশ্ৰয়ৰ বাবে Stay Home ৰ ব্যৱস্থা কৰিব লাগে। লগতে এইসকল যুৱতী, কিশোৰীৰ বাবে বিভিন্ন বৃত্তিমূলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে যাৰ যোগেদি এওঁলোকে বিভিন্ন ঠাইত সংস্থাপিত নিজৰ বাবে দুমুঠিভাতৰ বাবে যোগাৰ উলিয়াব পাৰে। চাহবাগান এলেকা আৰু বিভিন্ন সীমামূৰীয়া অঞ্চলসমূহত চৰকাৰৰ ফালৰ পৰা বিভিন্ন সজাগতামূলক কাৰ্য্যসূচী হাতত ল'ব লাগে। সমাজসেৱী সংগঠন, চৰকাৰ, প্ৰশাসনে এই সৰবৰাহৰ বিষয়টোক গুৰুত্ব সহকাৰে লৈ এই সমস্যা সমাধানৰ ক্ষেত্ৰত সক্ষম আৰু সতৰ্ক হ'ব লাগে।

মন কথা

# ছ'ফি

জ্যোতি খাটনিয়াৰ

উনবিংশ শতিকাৰ প্ৰথম দশক। নেপোলিয়নৰ ৰণ উন্মাদ ফৰাচী সৈন্যই জাৰ্মানীৰ এখন চহৰত অতি সম্ভ্ৰমেৰে প্ৰবেশ কৰিছে। কাৰণ এই চহৰখনতে থাকে বিশ্ব বিখ্যাত গণিতজ্ঞ কাৰ্ল ফ্ৰিডৰিখ গাউছ। সম্ৰাট নেপোলিয়নৰ গণিত আৰু শিক্ষাৰ প্ৰতি আছিল বিশেষ সন্মান। জ্ঞানপিপাসু সম্ৰাটজনাই জাৰ্মানীৰ গটিনজেন প্ৰসংগত এবাৰ কৈছিলঃ Gottingen belongs neither to a State nor to Germany and it is the University of Europe. ইতিহাসৰ ছাত্ৰ মাত্ৰেই জেনাৰ উত্তাল ৰণাংগনৰ ( Battle of Jena: ১৪ অক্টোবৰ, ১৮০৬) ৰ সৈতে পৰিচিত। নেপোলিয়নৰ এই সৈন্য দলক নেতৃত্ব দি অহা জেনেৰেল পাৰ্নেটিক তেওঁৰ এগৰাকী অনুৰাগীয়ে পেৰিছৰ পৰা কৈ পঠিয়াইছে গাউছৰ যেন কোনো ক্ষতি কৰা নহয়। জেনেৰেলজনাৰ নিৰ্দেশিত এদল সেনা বিষয়াই গাউছক সম্ভ্ৰমেৰে লগ ধৰিলে (মতান্তৰত পাৰ্নেটিয়ে নিজেই গাউছক ব্ৰাউনশ্বেইগ চহৰত লগ ধৰিলে বুলি কোৱা হয়)। মহান গণিতজ্ঞ গৰাকীক জনোৱা হ'ল যে পেৰিছৰ পৰা এগৰাকী অনুৰাগী ছ'ফি জ'মেইনে জেনেৰেলজনক বাৰে বাৰে সঁকিয়াই দিছে গাউছৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ। গাউছ আচৰিত হ'ল কাৰণ তেওঁ তেনে কোনো মহিলাৰ নাম শুনা নাই। কেইদিনমান পিছতেই গাউছলৈ সেই বিশেষ অনুৰাগীৰ চিঠি আহিল। গাউছৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি অনুৰাগীগৰাকীয়ে জনালে যে তেওঁ ইমানদিনে পুৰুষৰ ছদ্মনাম ব্যৱহাৰ কৰি আছিল যদিও তেওঁ মহিলাহে। ইতিমধ্যে এই অনুৰাগীগৰাকীৰ গাণিতিক প্ৰতিভাই গাউছক বিস্মিত কৰিছে। গণিতৰ ইতিহাসৰ সৈতে পৰিচিত লোক মাত্ৰেই জানে যে গাউছ আছিল অতি মেজাজী লোক। তেওঁ প্ৰায় কোনো গণিতজ্ঞৰে চিঠি - পত্ৰৰ উত্তৰ দিয়া নাছিল। অৱশ্যে ইয়াৰ এটা কাৰণ আছিল যে বাকীসকল গণিতজ্ঞই বিচাৰি ওলোৱা সমাধানসমূহ গাউছে নিজৰ টোকা বহীত বহু আগতেই লিপিবদ্ধ কৰিছিল। গাউছৰ প্ৰতিভা ইমানেই উচ্চ আছিল যে তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ মগজু সংৰক্ষণ কৰি তাৰ পৰীক্ষা সৌ সিদিনা লৈকে কৰি থকা হৈছিল(২০১৩)। গাউছে দুগৰাকী গণিত:ক বিশেষ ভাৱে স্নেহ আৰু প্ৰশ্ৰয় দিছিল।

এগৰাকী আছিল গিয়ৰ্গ ফ্ৰিডৰিখ বাৰ্নহাৰ্ড ৰিমান (১৮২৬-১৮৬৬), যাৰ জ্যামিতিৰ যোগেদি আইনষ্টাইনে আপেক্ষিকতাবাদৰ ভেটি গঢ়ি তুলিছিল আৰু আনগৰাকী ছ'ফি জ'মেইন। জ'মেইনৰ ফাৰ্মাৰ শেষ উপপাদ্য সমাধানৰ চেষ্টাবোৰে গাউছক বিস্মিত কৰিছিল। একেদৰে, গাউছৰ প্ৰতিভা যাতে যুদ্ধৰ দামামাত তাহানিৰ আৰ্কিমিডিছৰ দৰে নিঃশেষ হৈ নেযায়, তাৰ বাবে পেৰিছৰ পঢ়া কোঠালীত অহৰহ উদ্বিগ্ন হৈ ৰৈছিল ছ'ফি। ছ'ফিৰ বাবে ৰক্ষা পৰিছিল ফ্ৰিডৰিখ গাউছ, জাৰ্মানীৰ গাণিতিক ঐতিহ্য আৰু মানৱ চিন্তাক উজলাই তোলা অসংখ্য পোহৰৰ বাট।

ছ'ফি জ'মেইনৰ জন্ম হৈছিল ১ এপ্ৰিল ১৭৭৬ৰ পেৰিছত। দেউতাক আছিল ধনী ব্যৱসায়ী। ছ'ফিৰ শৈশৱৰ সময়ত পেৰিছ আছিল উত্তাল। সেই সময়ত বেষ্টিল দুৰ্গৰ পতন হৈছে (১৪ জুলাই, ১৭৮৯) আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক হিংসা তেনেই সাধাৰণ কথা হৈ পৰিছে । ছ'ফি এই ভয়ংকৰ অস্থিৰতাৰ মাজত দেউতাকৰ পঢ়া কোঠালীলৈ সোমাই গক্সল। তাতেই তেওঁ আৰ্কিমিডিছৰ বিষয়ে জানিব পাৰিলে। কিমান নিমগ্নতাৰে জ্যামিতিৰ অধ্যয়ন কৰি থকা সময়ত আৰ্কিমিডিছৰ ডিঙি কাটি পেলোৱা হৈছিল, কথাটোৱে ছ'ফিৰ তেৰ বছৰীয়া কিশোৰী মনটোক গভীৰভাৱে স্পৰ্শ কৰিলে। ছ'ফি য়ে ঠিক কৰিলে যে গণিতেই তেওঁৰ ওৰে জীৱন সংগী হ'ব। উত্তাল অগ্নিদগ্ধ পেৰিছত দেউতাকৰ কোঠালীতেই গণিতত নিমগ্ন হ'ল এই কিশোৰী। অৱশ্যে পৰিয়ালৰ লোকে তেওঁ গণিত অধ্যয়ন কৰাটো বিচৰা নাছিল। সেইবাবে ঠাণ্ডাৰ দিনত তেওঁৰ কোঠালীত জুইৰ ব্যৱস্থা নাছিল আৰু গৰম কাপোৰো ছ'ফিক দিয়া নহৈছিল। প্ৰায়ে কণমানি ছ'ফিয়ে বিছনা চাদৰ গাত মেৰিয়াই মাজ নিশা মনে মনে অংক কৰিছিল। পুৱা তেনেকৈয়ে টোপনি যোৱা ছ'ফিৰ কাষত ঠাণ্ডাত গোট মাৰি ৰৈছিল কলমৰ চিয়াঁহী। ছ'ফিৰ আগ্ৰহ দেখি মাকে গোপনে তেওঁক সহায় কৰিবলৈ ধৰিলে আৰু দেউতাকৰো লাহে লাহে মন কুমলিল। পিছলৈ ওৰে জীৱন দেউতাকে ছ'ফিক টকা পইছাৰ নাটনি অনুভৱ কৰিবলৈ নিদিলে। অষ্টাদশ শতিকাৰ শেষৰ ফালে স্থাপন হোৱা বিখ্যাত একʼল পলিটেকনিকত তেতিয়া মহিলাৰ বাবে পঢ়াৰ সুযোগ নাছিল। ছ'ফিয়ে এজন আধাতে শিক্ষানুষ্ঠান এৰি গুচি যোৱা পুৰুষ ছাত্ৰ এন্টনি আগাষ্ট লা ব্লেংকৰ নাম লৈ অধ্যয়ন কৰিবলৈ ললে। সেই সময়ৰ শিক্ষা নীতি অনুসৰি শিক্ষকসকলে ছাত্ৰসকলক লিখিত টোকা দিব লাগিছিল। তাত গণিতৰ ব্যাখ্যা আৰু সমস্যা - দুয়োটাই আছিল। সেইবোৰ ছ'ফিৰ হাতলৈ এই ছদ্মনামৰ যোগেদি আহিল। তেওঁ গণিতজ্ঞ গাউছ, আইজাক নিউটন, অয়লাৰ আদিৰ গাণিতিক চিন্তাৰ সৈতে পৰিচিত হ'ল। নিজে নিজে অৱকলন গণিত শিকিবলৈ লাগিল। এই বিশেষ গণিতৰ ছাত্ৰজনৰ প্ৰতিভাত মুগ্ধ হৈ বিখ্যাত গণিতজ্ঞ জোছেফ লুই লাগ্ৰাঞ্জে (১৭৩৬-১৮১৩) তেওঁক লগ পাব খুজিলে। তেতিয়াহে ছ'ফিৰ আচল পৰিচয় পোহৰলৈ আহিল। লাগ্ৰাঞ্জে এই তৰুণীৰ একাগ্ৰতা দেখি মুগ্ধ হ'ল। তেওঁ ছ'ফিক ব্যক্তিগতভাৱে গণিত শিকাবলৈ ল'লে। আনহাতে গাউছৰ বিখ্যাত পুথি Disquisitiones Arithmeticae (১৮০১) , যাক গণিতৰ ইতিহাসত ইউক্লিডৰ জ্যামিতি পুথি 'দ্য এলিমেণ্টছ' ৰ সমমৰ্যাদা দিয়া হয় , সেয়া ছ'ফিয়ে খুটি নাটি মাৰি পঢ়িবলৈ ল'লে।

আজি গণিতজ্ঞ ছ'ফি জ'মেইনৰ খ্যাতি প্ৰধানতঃ দুটা দিশৰ সৈতে জড়িত। প্ৰথমতে, ফাৰ্মাৰ শেষ উপপাদ্য প্ৰমাণৰ বাবে তেওঁ যুগুতোৱা বৃহৎ পৰিকল্পনা। দ্বিতীয়তে, পদাৰ্থৰ স্থিতি স্থাপকতাৰ গাণিতিক ব্যাখ্যা সন্দৰ্ভত তেওঁ কৰা চিন্তা - চৰ্চাখিনি। গণিতৰ যিকেইটা সমস্যাই দীৰ্ঘদিন ধৰি মানুহৰ মনোযোগ আকৰ্ষণ কৰি আহিছে, তাৰ ভিতৰত ফাৰ্মাৰ শেষ উপপাদ্য অন্যতম। ফাৰ্মাই নিজেই গ্ৰীক গণিতজ্ঞ ডায়োফেণ্টাছৰ এৰিথমেটিকা গ্ৰন্থৰ অধ্যয়নৰ সময়ত কোনো এক পৃষ্ঠাৰ মাৰ্জিনত এই উপপাদ্যৰ এটা সুন্দৰ প্ৰমাণ পোৱা বুলি লিখি থৈ গৈছিল (১৬৩৭) । কিন্তু মাৰ্জিনৰ ঠাই কম হোৱা বাবে তেওঁ উপপাদ্যৰ প্ৰমাণক ডাঙি ধৰিব নোৱাৰিলে। ফাৰ্মাৰ এই উপপাদ্যৰ অনুসৰি যিকোনো তিনিটা ধনাত্মক অখণ্ড সংখ্যা a, b, c য়ে an + bn = cn সমীকৰণটোক সমাধান কৰিব নোৱাৰে য'ত 'n' ৰ মান 2তকৈ ডাঙৰ। 'n' ৰ মান 2 ৰ ক্ষেত্ৰত পাইথাগোৰাছৰ উপপাদ্যত ব্যৱহৃত সমকোণী ত্ৰিভুজৰ ভূমি, লম্ব আৰু অতিভুজ বা কৰ্ণৰ দৈৰ্ঘ্যৰ যোগেদি আমি বিদ্যালয়ত শিকা সমীকৰণটো ওলাই আহে ( $a^2 + b^2 = c^2$) । আমি সকলোৱে $3^2 + 4^2 = 5^2$ এই কথাটো সমকোণী ত্ৰিভুজৰ ক্ষেত্ৰত বিদ্যালয় পৰ্যায়ত শিকি আহিছো। ফাৰ্মাৰ উপপাদ্যত এই কথাটো আৰু জটিল পৰ্যায়লৈ লৈ যোৱা হয় । ছ'ফি জ'মেইনে এই সমস্যাটোক আন এটা ধৰণেৰে সমাধান কৰাৰ প্ৰয়াস কৰিছিল। তেওঁ এই ক্ষেত্ৰত এলানি সমীকৰণৰ কথা চিন্তা কৰিছিল আৰু নিজৰ গণনাৰ বাবে 'n'ক এক বিশেষ ধৰণৰ মৌলিক সংখ্যাৰ সৈতে সংলগ্ন কৰিছিল। আমি জানো যে মৌলিক সংখ্যাবোৰক ভাগ কৰিব নোৱাৰি। ১১ এটা মৌলিক সংখ্যা; কিন্তু ১২ নহয়। ছ'ফিৰ আগ্ৰহ আছিল সেইবোৰ মৌলিক সংখ্যা p' ত, য'ত 2p+1 ও এটা মৌলিক সংখ্যা হ'ব। ছ'ফিৰ এই মৌলিক সংখ্যাৰ তালিকাখন অলপ বেলেগধৰণৰ। কাৰণ তাত ৫ এটা মৌলিক সংখ্যা । কাৰণ ২×৫+১=১১ এটা মৌলিক সংখ্যা (ইয়াত p=5 বুলি ধৰিব লাগে)। কিন্তু ১৩ সংখ্যাটো ছ'ফিৰ এই বিশেষ চিন্তাত মৌলিক নহয়। কাৰণ ২×১৩+১=২৭ এটা মৌলিক সংখ্যা নহয় (ইয়াত p=13 বুলি ধৰিব লাগে)।

**আগলৈ...**



# এটি ভাল পোৱাৰ গান

**পিংকু ৰানী চহৰীয়া, গৰুখুটি, দৰং**



মোৰ হৃদয় বীনত  
এটি ভাল পোৱাৰ গান  
জোনাকী কাৰেংত সুৰেৰে সজাম  
ওভতিব ল'ৰালীৰ  
ধূসৰিত স্মৃতিৰ তান  
তই শুনিবিনে বাৰু  
আকৌ এবাৰ আমি যে,  
হেৰুৱাব নোখোজা গান!!  
ৰাতিৰ এন্ধাৰো ফালো  
তৰাটি থপিয়াই আনো  
জোনালী গধুলীতে  
লুইতৰ পানীতে আমি  
দুয়ো দুয়োৰে মুখখনিকে চাওঁ।  
সময় বালিতে বহি  
মিঠা লগা স্মৃতি সোঁৱৰি  
দেওঁ দি যাওঁ নেকি  
বিচাৰিব আপোন পদুলি !!  
তোৰে মোৰে কথা মাতে লিখা ৰ'ব গছে পাতে  
ভাটি দিয়ক জীৱনে।  
তথাপিও চিৰ নতুন ৰঙেৰে  
আপোন আমি দুয়ো দুয়োৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

## মোৰ মুখ্যমন্ত্ৰীত্বৰ

যোৰহাটত নিৰ্বাচনী প্ৰাৰ্থীজন আহিলে ১০-১২জনমান মানুহ গোট খায়। আন সময়ত কোনো মানুহ নাথাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতে, এইবাৰ লোকসভা নিৰ্বাচনত ৰাজ্যখনত বিৰোধী শূন্য হ'ব। অৱশ্যে ভোটত শূন্য হ'ব নোৱাৰে। কিন্তু মোৰ মুখ্যমন্ত্ৰিত্বৰ কাৰ্যকালতেই বহু বুথত কংগ্ৰেছ শূন্য হৈ যাব। এই প্ৰসংগতে মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে বিৰোধী দলৰ সভাত লগত এশজনমান মানুহ আহে। য'ত সভা অনুষ্ঠিত কৰে, তাত ৫০ জনমান মানুহ আহে। তাৰে ২০ জনমান মানুহে লগে লগে সভাত গোটখোৱা মানুহৰ বিষয়ে বিজেপিক খবৰ দিয়ে। নিৰ্বাচনৰ প্ৰাৰ্থীৰ লগত থকা মানুহে মোক হোৱাটছএপযোগে খবৰ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে কংগ্ৰেছৰ যিসকলে তেওঁক বেছিকৈ গালি পাৰে, বুজিব তেওঁলোকৰ মোৰ লগত কথা হৈ আছে। ইপিনে এইবাৰ লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ১৩খন আসন নহয়, এতিয়া ধুবুৰীক লৈও ৰাইজে আশা দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়া ৰাইজে বিজেপি মিত্ৰজোঁটে ১৪খন আসনেই লাভ কৰিব বুলি কৈ আছে। ধুবুৰীৰ ৰাইজে কৈছে- ১৩ খন নহয়, আমি ধুবুৰীখনো দিম। অৱশ্যে এই বিষয়ে মই প্ৰচাৰত গ'লেহে গম পাম। ৰাজ্যখনত বিৰোধী শূন্য বাবেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইবাৰ নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছক ধৰি কোনো মানুহক গালি-গালাজ বা সমালোচনা কৰা নাই। তাৰ পৰিৱৰ্তে নিৰ্বাচনী প্ৰচাৰ সভাসমূহ গণতন্ত্ৰৰ উৎসৱ হিচাপে উপভোগ কৰিছে। ইফালে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ২০২৪ চনতেই অসমৰ মুখ্যমন্ত্ৰী সলনি হ'ব বুলি কৰা মন্তব্য সম্পৰ্কত কটাক্ষ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ভাল কথা। তেওঁ বিজেপিত আহিলেই মুখ্যমন্ত্ৰী সলনি হৈ যাব। সেইদৰে যোৰহাট লোকসভাৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে অৰুণোদয় আঁচনিকে ধৰি বিভিন্ন আঁচনিৰ ক্ষেত্ৰত বিজেপিয়ে বিতৰণ কৰি থকা প্ৰ-পত্ৰক ফাঁকিবাজ আখ্যা দিয়াৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অৰুণোদয় যে ফাঁকি নহয়, সেয়া সকলোৱে জানে। কোনোবাই বহু দিন দিল্লীত আছে বাবেই তেওঁ নাজানে মানুহে যে অৰুণোদয় পাই আছে। মানুহে অৰুণোদয়ক ফাঁকি বুলি কোৱাজনকহে প্ৰচণ্ড ফাঁকিয়াল বুলি ক'ব। অৰুণোদয় ফাঁকি হ'ব পাৰে নেকি? চৰকাৰী চাকৰি ফাঁকি হ'ব পাৰে নেকি? নৰেন্দ্ৰ মোদীৰ গেৰাণ্টী ফাঁকি হ'ব পাৰে নেকি? এনে কথা কোৱাজনকহে মানুহে বেয়া পাব। যিয়ে ভাল ৰাজনীতি জানে, তেওঁ এতিয়া সূৰ্যটো পূবৰ পৰা নোলায় পশ্চিমৰ পৰা ওলায় বুলি ক'ব নেকি? একেদৰে গৌৰৱ গগৈয়ে যোৰহাট লোকসভাত অসমৰ কেবিনেট মন্ত্ৰীসকল উবুৰি খাই পৰিছে বুলি কৰা মন্তব্যতো প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ইয়াত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাস, ৰণোজ পেগু, অশোক সিংহলক দেখিছে নেকি? ১৪টা লোকসভা সমষ্টিত এজন এজনকৈ মন্ত্ৰীক দায়িত্ব ভগাই দিয়া হৈছে। সেই অনুসৰি ইয়াতো নিৰ্দিষ্ট মন্ত্ৰীকহে দায়িত্ব দিয়া হৈছে। একেদৰে বিজেপিয়ে নিৰ্বাচনী আচৰণবিধি ভংগ কৰা বুলি কংগ্ৰেছে কৰা অভিযোগৰ প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় নিৰ্বাচনী আচৰণবিধি ভংগ কৰিলে নিৰ্বাচন আয়োগে ব্যৱস্থা ল'ব। তেওঁলোকে নিৰ্বাচন আয়োগক অভিযোগ দিব লাগে। সংবাদ মাধ্যমৰ আগত কৈ কি হ'ব?

## মহানগীৰৰ ভয়াৱহ

শেহতীয়াকৈ এম জি ৰোড আৰু এ টি ৰোডত যানজঁটে ভয়াৱহ ৰূপ লৈছে। বিশেষকৈ ভৰলুমুখ, শান্তিপুৰ, মাছখোৱা, কুমাৰপাৰা, আঠগাঁও আৰু ফটাশিল অঞ্চলত বসবাস কৰা লোকসকলে প্ৰতিদিনে ঘণ্টাৰ পাছত ঘণ্টা ধৰি যানজটত আবদ্ধ হৈ বহুমূলীয়া সময় নষ্ট কৰিবলগীয়া হৈছে। যানজটত আবদ্ধ হৈ থাকিবলগীয়া হোৱাত চৰকাৰী- বেচৰকাৰী আৰু বিভিন্ন কামত ওলাই অহা লোকসকলে সময়মতে গন্তব্য স্থান আৰু কৰ্তব্য সমাপন কৰিব পৰা নাই। সেয়েহে ভুটনাথ, ভৰলুমুখ, ফটাশিল, শান্তিপুৰ, কুমাৰপাৰা অঞ্চলৰ ৰাইজক লৈ গঠিত হোৱা নাগৰিক সমন্বয় সমিতিয়ে শীঘ্ৰে যানজটৰ সমস্যাৰ পৰা মহানগৰবাসীক মুক্ত কৰিবলৈ যান-বাহন আৰক্ষী আৰু চৰকাৰক আহ্বান জনাইছে। উল্লেখ্য যে মাছখোৱা, ভুতনাথ সংযোগী এলিভেটেড কৰিড'ৰ মুকলি কৰি দিয়াৰ পিছত যানজঁটৰ সমস্যা কিছু হ্ৰাস পাইছিল। কিন্তু ভুতনাথৰ পৰা এম জি ৰোডেৰে যাতায়াত বন্ধ কৰি দিয়াত যানজটৰ সমস্যাই ভয়াৱহ ৰূপ লৈছে। শীঘ্ৰে এম জি ৰোড আৰু এ টি ৰোডৰ যানজটৰ সমস্যা সমাধান কৰি সুচল যাতায়াত ব্যৱস্থা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নাগৰিক সমিতিয়ে আহ্বান জনাইছে।

তিনি পৃষ্ঠাৰ পৰা...

## ডিব্ৰুগড়ত বিগত ১৪ টা

উলিয়ায় আৰু উপযুক্ত বুলি প্ৰমাণিত হোৱা লোকক সাহাৰ্য্য প্ৰদান কৰি আহে। সেইমতে ট্ৰাষ্টীৰ দলে লেজাই, কলাখোৱা, চাউলখোৱা, বকুল মাজগাঁওত থকা দুখীয়া সকলোক চাউল দাইল, মিঠাতেলকে আদি কৰি অন্যান্য সামগ্ৰী বিতৰণ কৰে। বিগত চৈধ্যটা বছৰত হাজাৰৰো অধিক দুখীয়া, অভাৱগ্ৰস্ত লোকক জাকাত এণ্ড ইমদাদৰ অৰ্থ আৰু সামগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ২ জনক মেডিকেল পঢ়োৱা, ৫ জনক ওকালতি, ৪ জন বিভিন্ন প্ৰতিভাবান খেলুৱৈ, এজন কলেজেৰ প্ৰফেচাৰ (এখন কলেজত বৰ্তমান কৰ্মৰত), ১০ জন পানী কল মিস্ত্ৰীৰ প্ৰশিক্ষণ, সাত জনক বিভিন্ন কাৰিকৰী শিক্ষা, চিলাই মেচিন ৩৫ টাৰ অধিক, কাপোৰ ব্যৱসায়ী ৭ গৰাকী মহিলা, ত্ৰিশখন ঠেলা গাড়ী, ১৫ খন ৰিক্সা, এশৰো অধিক কম্বল ইত্যাদিৰ লগতে দুৰাৰোগ্য আক্ৰান্ত ব্যক্তি, প্ৰতিষ্ঠিত সাংবাদিক, ৰাষ্ট্ৰীয় খেলুৱৈ আদিক সময়ে সময়ে সাহাৰ্য্য প্ৰদান কৰা হৈছে বুলি ট্ৰাষ্টৰ সভাপতি ডা° চাজিদ আহমেদ আৰু সম্পাদক নাচিৰ চুলতানে জানিবলৈ দিয়ে। সমাজৰ বিশেষকৈ জাকাত দাতা সকলৰ আন্তৰিক সহায় সহযোগ লাভ কৰিলে আগত দিনত ট্ৰাষ্টে আৰু অধিক অঞ্চলৰ দুখীয়া গৰীবসকলক সামৰি, শিক্ষা তথা স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত বহলভিত্তিত কাম কৰাৰ পৰিকল্পনা কৰিছে।

## ডিব্ৰুগড় লোকসভা সমষ্টিত

প্ৰচাৰ চলাও। উক্ত সভাত উপস্থিত থাকে প্ৰাক্তন অসম চৰকাৰৰ মন্ত্ৰী বৰ্ষীয়ান ৰাজনৈতিক নেতা পৃথ্বী মাঝি, ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি কোবিন্দ চেতিয়া, ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সম্পাদক ৰাজকুমাৰ নীলনেত্ৰ নেওগ আদি। লেকাই ৰাজহুৱা প্ৰেক্ষাগৃহত উপস্থিত থাকি নিৰ্বাচনী প্ৰচাৰ চলায়। ডিব্ৰুগড়ৰ খনিকৰ চাৰিআলিত বিৰোধী ঐক্য মঞ্চৰ নিৰ্বাচনী প্ৰচাৰৰ কাৰ্যালয়ৰ শুভ উদ্বোধন কৰি ঐক্য মঞ্চৰ বিষয় বৰীয়া, কৰ্মী সকলৰ সৈতে আলোচনা কৰে। ডিব্ৰুগড় লাচিত নগৰত অনুষ্ঠিত বিহু কৰ্মশালাত উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় বিধান সভাৰ অন্তৰ্গত হিলৈধাৰী গাওঁ আৰু নিজ কানাই অঞ্চলত উপস্থিত হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

## সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° প্ৰণৱ জ্যোতি ডেকা আৰু নাই



ৰঙিলী বাৰ্তাসেৱা- বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° প্ৰণৱ জ্যোতি ডেকা আৰু নাই। হাঁওফাঁওৰ সংক্ৰমণ আৰু হৃদযন্ত্ৰ সম্পৰ্কীয় সমস্যাত ভুগি কেইবাদিনো ধৰি সংকটজনক অৱস্থাত গুৱাহাটীস্থিত নেমকেয়াৰ হাস্পাতালত ভৰ্তি হৈ থকা সাহিত্যিকগৰাকী শনিবাৰে শেষ নিশ্বাস ত্যাগ কৰে। ড° প্ৰণৱ জ্যোতি ডেকাই 'শ্ৰেষ্ঠ গল্প'ৰ বাবে ২০২৩ বৰ্ষত লাভ কৰিছিল সাহিত্য অকাডেমী বঁটা। ২০২১ চনত এই গ্ৰন্থখন প্ৰকাশ হৈছিল তেখেতৰ এই গল্প সংকলনখন। গ্ৰন্থখনৰ প্ৰকাশক আছিল বান্ধৱ প্ৰকাশন। এইখন গ্ৰন্থই ২০২২ বৰ্ষত অসম প্ৰকাশন পৰিষদৰ বঁটাও লাভ কৰিছিল। তেখেতৰ আন উল্লেখযোগ্য গ্ৰন্থসমূহ - সেয়েহে কৈলাশনাথ, একুৰ বছৰৰ গল্প, এজাক এলেহুৱা কাউৰীৰ সাধু, বেৱাৰিছ লাছ আৰু অন্য গল্প, বিহুৱতী চৰাই আৰু অন্য গল্প, আদি।

## পুনৰ ৫০ হাজাৰ

অলপ চাকৰি উলিয়াম। উল্লেখ্য যে বৰ্তমানৰ চৰকাৰখনে কাৰ্যকাল আৰম্ভ কৰাৰ পৰা এতিয়ালৈকে প্ৰায় যি এক লাখ নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিছে সেই নিযুক্তিক লৈ কোনোধৰণৰ বিতৰ্ক বা অভিযোগৰ আঙুলি উঠা নাই। সম্পূৰ্ণ মেধাৰ ভিত্তিত কোনেও ক'তো এটকাও নিদিয়াকৈ চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। যাৰ ফলত দুখীয়া পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীও ৰাজ্যখনত প্ৰথমবাৰৰ বাবে চাকৰি লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ ৫০ হাজাৰ নিযুক্তিৰ ঘোষণা কৰাৰ লগে লগে নিবনুৱা যুৱক-যুৱতীসকলৰ মাজত আশাৰ সঞ্চাৰ ঘটিছে।

চাৰি পৃষ্ঠাৰ পৰা...

## প্ৰব্ৰজন বিৰোধী

বাংলাদেশীক একমাত্ৰ ভোটৰ স্বাৰ্থত নাগৰিকত্ব প্ৰদান কৰাৰ ব্যৱস্থা কৰিলে। আনহাতে বাংলাদেশী মুছলমানক খিলঞ্জীয়া হোৱাৰ পথ মুকলি কৰি দিলে। তেওঁ আৰু কয় যে এয়া খিলঞ্জীয়াৰ বাবে অশনী সংকেত। অসমৰ জলন্ত সমস্যাৰ কিন্তু এটাও সমাধান হোৱা নাই। বিজেপি চৰকাৰে কা বলবৎ কৰি এন আৰ চিক নস্যাত কৰিলে। লগতে হিমন্ত বিশ্ব শৰ্মাই এতিয়া মিঞাও খিলঞ্জীয়া হ'ব পাৰিব বুলি ঘোষণা কৰা কথা উল্লেখ কৰে। জাতিৰ আবেগক লৈ অসমৰ নেতাই সম্পূৰ্ণ ক্ষমতা আৰু শাসন গতাই এখন চোৰ চিন্দিকেতৰ চৰকাৰ আমাৰ ওপৰত জাপি দিলে বুলি তেওঁ মন্তব্য কৰে। সংবাদ মেলত হাজৰিকাৰ উপৰিও বিৰাজ মোহন হাজৰিকা, বিমান বৰকাকতি, আকাশ কলিতা উপস্থিত থাকে।

## শিলচৰ লোকসভা

তৃণমূলক বিচাৰিছে। ৰাইজক এতিয়া স্বৈৰাচাৰী বিজেপিৰ বিকল্প লাগে। ৰাইজৰ দৃঢ় বিশ্বাস তৃণমূল কংগ্ৰেছ এক শক্তিশালী বিকল্প। আজি ৰাইজ ওলাই আহিছে গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত, নিজৰ অধিকাৰৰ স্বাৰ্থত, সকলোৰে সৰ্বাঙ্গীন কল্যানৰ স্বাৰ্থত। ৰাইজৰ মৰম আৰু আস্থা আমাৰ বাবে সকলোৰে উৰ্ধত। আমাৰ বিশ্বাস এই লোকসভা নিৰ্বাচনত ৰাইজে নিজৰ শক্তি দেখুৱাব আৰু তৃণমূল কংগ্ৰেছৰ আটাইকেইগৰাকী প্ৰাৰ্থীক বিপুল ভোটেৰে জয়যুক্ত কৰি জনতাৰ শক্তিশালী কণ্ঠৰূপে বাছি লব।

## ENGLISH NEWS SECTION

# Assam Governor attends closing ceremony of Seemanta Kreeda Mahotsav'24




Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria attended the closing ceremony of the Seemanta Kreeda Mahotsav'24, organized by Seemanta Chetana Mancha Purvottar at Indrira Gandhi Athletic Stadium, in Sarusajai Sports Complex, here. Attending the closing ceremony of the Sreemanta Kreeda Mahotsav 24, the Governor emphasized the pivotal role of border protection in safeguarding the nation. He commended the efforts of Seemanta Chetna Manch Purvottar for fostering patriotism among the people residing along the border through sports. The Governor said that such initiatives will empower individuals to contribute to national prosperity. Recognizing abundant talent pool of the State, the Governor acknowledged the challenges in identifying and nurturing these talents. He hailed the organization's initiatives in scouting and nurturing youth talent as commendable endeavors.

# Dibrugarh Zakat and Imdad Foundation Trust: 14 years Services to Humanity



Guwahati, RB News: Dibrugarh Zakat & Imdad Foundation Trust',a Socio Economic Organisation , have been distributing various goods (food stuff etc) and services to the weaker section of the society for the last fourteen years.The Trust have been providing financially weak Students, studying in schools,colleges,medical/law colleges with medical and health services along with house-hold construction works. Other assistance also includes providing of rickshaws/thelas, sewing-machines, computers, mobile shops/vegetable vending thelas etc. They have been awarding 'Zakat' to Muslims and 'Imdad'(help) to other religious communities irrespective of castes and creed.The Trust was formed by a group of 21 conscious and concerned people of Dibrugarh under the Chairmanship of Alhaj Reazul Hussain.The notable Trustees are :Alhaj Saifuddin Ahmed, Muzibulla Hazarika, Muzibur Rahman, Mintu Manouwar Hussain, Abdul Matin, Dr Adil Ul Yasin, Dr Sajeed Ahmed, Dr Ahmedulla Khan, Alhaj Sehir Ahmed, Zunaid Ahmed, Seheriar Sultana, Parvez Khan, Ikbal Ahmed, Abdul Khaleque, Nasir Sultana,Alhaj Nasimul Gani, Alhaj Dianuddin Ahmed, M Hashim Ali, Abdul Sajid, Shahnaz Rahim.

# South African footballer Luke Fleurs shot dead in car hijacking




RB News: Luke Fleurs, the South African footballer, got killed in a car hijacking in Johannesburg, on the night of Wednesday, April 3. According to the police in Gauteng, the 24-year-old was shot dead by unknown gunmen, while he was waiting to be attended to, at a petrol station in the Honeydew suburb in the South African city.

# Bindyarani Devi bags bronze medal in Weightlifting World Cup



RB News: Weightlifter Bindyarani Devi won the bronze medal in the women's 55kg event at the IWF World Cup. Commonwealth silver medalist Bindyarani lifted a total of 196 kg (83kg+113kg) to claim the third spot on the podium. She also won the silver medal in the clean and jerk category with a lift of 113 kg.

# Rafael Nadal withdraws from Monte Carlo Masters 2024



RB News: The 22-time Grand Slam champion Rafael Nadal continues to extend his return in competitive tennis after suffering an injury at the Brisbane International, in December 2024. The former World No. 1 took to social media to confirm his withdrawal from the clay-court event, the Monte Carlo Masters 2024, citing that his body is not up to the mark yet.

# NEUFC beats Kerala Blasters in ISL



RB News: NorthEast United FC (NEUFC) defeated Kerala Blasters FC by 2-0 at the Indira Gandhi Athletic Stadium in Guwahati on April 6 in an Indian Super League (ISL) match. With this win, Highlanders have increased chances for the sixth playoff spot, as they have jumped to seventh place with 23 points. Chennaiyin FC are placed sixth with 24 points.

# ৰাজস্থান ৰয়েলছৰ হাতত পৰাস্ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু

ৰঙিলী বাৰ্তাসেৱা- জয়পুৰত অনুষ্ঠিত আইপিএলৰ ৰোমাঞ্চকৰ মেচখনত জ'ছ বাটলাৰৰ দুৰ্দান্ত অপৰাজিত শতক আৰু অধিনায়ক সঞ্জু ছেমছনৰ চমকপ্ৰদ অৰ্ধশতকীয় ইনিংছত দিশহাৰা হৈ পৰে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু। ৰাজস্থানে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ইয়াৰ লগে লগে ৰাজস্থান দলে ৮ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত উপনীত হয়। তাৰকা বেটাৰ বিৰাট কোহলিৰ চমকপ্ৰদ শতক সত্বেও বেংগালুৰুৱে মেচখনত পৰাস্ত হয়। মেচখনত আৰচিবিয়ে জয়ৰ বাবে বান্ধি দিয়া ১৮৪ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি বাটলাৰৰ অপৰাজিত ১০০ আৰু অধিনায়ক ছেমছনৰ দুৰ্দান্ত অৰ্ধশতকৰ সহায়ত ৰাজস্থানে ১৯.১ অভাৰত ৪ টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি তাৰকা বেটাৰ বিৰাট কোহলিৰ দৰ্শনীয় অপৰাজিত শতকৰ সহায়ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰে। ইনিংছ আৰম্ভ কৰিবলৈ আহি কোহলি আৰু অধিনায়ক ফাফ ডু প্লেচিছে প্ৰথম উইকেটৰ যুটীত ১২৫ ৰান সংগ্ৰহ কৰি দলটোক



বিস্ফোৰক আৰম্ভণি দিয়ে। ৰাজস্থানৰ হৈ যুজবেন্দ্ৰ চাহালে সৰ্বাধিক দুটা উইকেট লাভ কৰাৰ লগতে নান্দ্ৰে বাৰ্গাৰে এটা উইকেট লাভ কৰে।

# চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়

ৰঙিলী বাৰ্তাসেৱা- ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঁচবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। হায়দৰাবাদে এতিয়ালৈকে চাৰিখন মেচ খেলি দুখনত জয় আৰু দুখনত পৰাস্ত হৈ পইণ্ট তালিকাৰ পঞ্চম স্থানলৈ উন্নীত হয়। গৃহভূমিত অনুষ্ঠিত এই মেচখনত চেন্নাই ছুপাৰ কিংছে জয়ৰ বাবে বান্ধি দিয়া ১৬৬ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি এইডেন মাৰ্কৰামৰ ৩৬ বলত ৫০ আৰু অভিষেক শৰ্মাৰ বিস্ফোৰক ৩৭ৰানৰ সহায়ত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৮.১ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অ'পেনাৰ ট্ৰেভিছ হেডে ৩১ ৰান কৰে। ইপিনে শ্বাহবাজ আহমেদে ১৮ ৰান কৰি বিদায় লয় যদিও ক্লাছেনে ১০ আৰু নীতিশ কুমাৰে ১৪ৰান কৰি অপৰাজিত হৈ থাকে। চেন্নাইৰ হৈ মঈন আলীয়ে সৰ্বাধিক দুটা উইকেট লাভ কৰাৰ লগতে দীপক চহৰ আৰু মহীশ থিকছানা উভয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি শিৱম ডুবেৰ সৰ্বাধিক ৪৫ ৰানৰ সহায়ত চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬৫ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ৫৪ ৰানতে অ'পেনাৰদ্বয় ৰাচিন ৰবীন্দ্ৰ আৰু অধিনায়ক ঋতুৰাজ গাইকোৱাড়ক হেৰুৱাই বিপদত পৰে চেন্নাই। ৰাচিনে ৯ বলত ১২ ৰান কৰাৰ বিপৰীতে গাইকোৱাডে ২১ বলত ২৬ ৰানৰ অৱিহণা আগবঢ়ায়। অৱশ্যে আজিংক্য ৰাহানে আৰু শিৱম ডুবে লগ লাগি দলৰ বিপৰ্যয় ৰোধ কৰে। ৰাহানে আৰু ডুবেই তৃতীয় উইকেটত ৬৫ ৰান সংগ্ৰহ কৰে। ৰাহানেই ৩০টা বলত দুটা চাৰি আৰু এটা ছয়েৰে



৩৫ ৰান কৰে। আনহাতে ডুবেই ২৪টা বলত দুটা চাৰি আৰু চাৰিটা ছয়েৰে বিস্ফোৰক ৪৫ ৰান কৰে। ৰবীন্দ্ৰ জাদেজাহ ২৩টা বলত চাৰিটা চাৰিৰে অপৰাজিতভাৱে ৩১ ৰানৰ অৱদান আগবঢ়ায়। ডাৰিল মিচেলে ১৩ ৰান কৰি পেভিলিয়নমুখী হয়। ছানৰাইজাৰ্ছৰ হৈ ভুবনেশ্বৰ, নটৰাজন, কামিনছ, শ্বাহবাজ আৰু জয়দেৱ উনাদকাটে এটাকৈ উইকেট লাভ কৰে।

# কুৱেইট আৰু কাটাৰৰ বিৰুদ্ধে ভাৰতৰ মুখ্য প্ৰশিক্ষক হৈ থাকিব ইগ'ৰ ষ্টিমাচ

ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় ফুটবল দলটোৰ প্ৰশিক্ষক ইগ'ৰ ষ্টিমাচক জুন মাহত অনুষ্ঠিত হ'বলগীয়া ফিফা বিশ্বকাপ ২০২৬ৰ কোৱালিফায়াৰৰ অন্তিম দুখন গ্ৰুপ খেলৰ বাবে সকলো প্ৰয়োজনীয় সমৰ্থনৰ আশ্বাস দিছে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে। যোৱা মাহত আফগানিস্তানৰ বিৰুদ্ধে ভাৰতৰ লজ্জাজনক পৰাজয় আৰু নিম্নস্থানত থকা দলটোৰ বিৰুদ্ধে ড্ৰ হোৱাৰ পিছত ষ্টিমাচৰ পদত্যাগৰ বাবে দাবী উত্থাপন হৈছিল। আনকি ভাৰতৰ প্ৰাক্তন অধিনায়ক আইএম বিজয়নৰ নেতৃত্বত এআইএফএফৰ কাৰ্যকৰী কমিটীখনেও প্ৰশিক্ষকগৰাকীৰ বিৰুদ্ধে থিয় দিছিল যদিও এই মুহূৰ্তত ভাৰতীয় দলটোৰ প্ৰশিক্ষক পৰিৱৰ্তন হ'লে অপ্ৰয়োজনীয় বিপদ হ'ব বুলি ফেডাৰেচনে বিশ্বাস কৰে। এআইএফএফৰ এগৰাকী জ্যেষ্ঠ বিষয়াই কয় যে এতিয়া পৰিৱৰ্তন কৰাটো সঠিক নহ'ব। আমি পৰৱৰ্তী দুখন খেলত গুৰুত্ব দিব লাগিব আৰু চাব লাগিব ফলাফল কি হয়। অহা ৬ জুনত ভাৰতে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত কুৱেইটৰ বিৰুদ্ধে আৰু ২১ জুনত বিদেশত কাটাৰৰ বিপক্ষে মুখামুখি হ'ব। এই দুখন মেচৰ ফলাফলেই ভাৰতীয় ফুটবল দলটোৰ ফিফা বিশ্বকাপ কোৱালিফায়াৰৰ তৃতীয় ৰাউণ্ডত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা প্ৰকট হ'ব। এআইএফএফৰ সভাপতি কল্যাণ চৌবেই গঠন কৰি দিয়া বিশেষ কমিটীক ষ্টিমাচে কয় যে যদি ভাৰতে তৃতীয় ৰাউণ্ডত



প্ৰৱেশ কৰিব নোৱাৰে, তেন্তে তেওঁ পদত্যাগ-পত্ৰ দিব। তেওঁ কয় যে এবছৰৰ আগতে মই কৈছিলোঁ যে আমি চেষ্টা কৰিম আৰু তৃতীয় ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিম। বৰ্তমান আমি গ্ৰুপত দ্বিতীয় স্থানত আছোঁ। ৬ জুনত কুৱেইটৰ বিৰুদ্ধে খেলিবলগীয়া মেচখনৰ ফলাফলৰ অন্তত মই মোৰ পদত্যাগৰ বিষয়টো সন্দৰ্ভত আধিক আলোচনা কৰিম।

# গুজৰাট টাইটানছৰ বিৰুদ্ধে ৩ উইকেটত জয়লাভ পঞ্জাবৰ



ৰঙিলী বাৰ্তাসেৱা- গুজৰাট টাইটানছৰ বিপক্ষে ৰোমাঞ্চকৰ জয় লাভ পঞ্জাব কিংছৰ। আহমেদাবাদত অনুষ্ঠিত মেচখনত পঞ্জাবে ৩ উইকেটত জয়লাভ কৰে। মেচখনত গুজৰাটে জয়ৰ বাবে বান্ধি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি শশাংক সিঙৰ বিস্ফোৰক অপৰাজিত ৬১, প্ৰভচিমৰণ সিঙৰ ৩৫ আৰু আশুতোষ শৰ্মাৰ চমকপ্ৰদ ৩১ ৰানৰ সহায়ত পঞ্জাবে ১৯.৫ অভাৰত ৭টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। শশাংকৰ ২৯টা বলৰ ইনিংছটোত আছিল ৬টা চাৰি আৰু ৪টা ছয়। অধিনায়ক শিখৰ ধাৱনে ১ আৰু ছেম কৰণে ৫ ৰান কৰি বিদায় লয়। জ'নী বেয়াৰষ্ট'ৱে ২২ ৰানৰ অৱিহণা আগবঢ়ায়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অধিনায়ক শুভমন গিলৰ বিস্ফোৰক অপৰাজিত ৮৯ ৰানৰ সহায়ত গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। গুজৰাটৰ দলীয় স্ক'ৰ ২৯ ৰানত ঋদ্ধিমান সাহাই ১১ ৰান কৰি বিদায় লয়। অধিনায়ক গিলে কেন উইলিয়ামছনৰ সৈতে লগ লাগি দ্বিতীয় উইকেটত ৪০ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। উইলিয়ামছনে ২২টা বলত ২৬ ৰান কৰি বিদায় লয়। ইফালে ছাই সুদৰ্শনে ১৯টা বলত ৬টা চাৰিৰে ৩৩ ৰান কৰে। শেষৰফালে ৰাহুল টেৱাটিয়াই মাত্ৰ ৮টা বলত তিনিটা চাৰি আৰু এটা ছয়েৰে ২৩ ৰান কৰি অপৰাজিত হৈ থাকে। গিল আৰু টেৱাটিয়াই পঞ্চম উইকেটৰ যুটীত অপৰাজিতভাৱে ৩৫ ৰান সংগ্ৰহ কৰে। পঞ্জাবৰ হৈ ৰাবাডাই সৰ্বাধিক দুটা উইকেট লাভ কৰে।

# জৰিমনাৰ সন্মুখীন হ'ল দিল্লী কেপিটেলছ

ৰঙিলী বাৰ্তাসেৱা- কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত বৃহৎ ব্যৱধানত পৰাজয় হোৱাৰ পিছত লেহেম গতিত বলিং কৰাৰ অপৰাধত জৰিমনাৰ সন্মুখীন হ'ল দিল্লী কেপিটেলছ। নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ অভাৰ শেষ কৰিব নোৱাৰাৰ অপৰাধত অধিনায়ক ঋষভ পণ্টৰ লগতে দিল্লী কেপিটেলছৰ আন সদস্যকো জৰিমনা বিহা হৈছে। অধিনায়ক ঋষভ পণ্টক ১২ লাখ টকাৰ জৰিমনা বিহাৰ লগতে দলটোৰ আন সদস্যসকলৰ মেচ ফীৰ ২৫ শতাংশ কৰ্তন কৰা হয়। চলিত আইপিএলত দ্বিতীয়বাৰৰ বাবে এই একেই অপৰাধ কৰাৰ বাবে দিল্লী দলটোৰ অধিনায়ক ঋষভ পণ্টে এতিয়ালৈকে ২৪ লাখ টকাৰ জৰিমনা ভৰিবলগীয়া হৈছে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286